Content includes AI-generated material

**৪ সাহিত্যিকলৈ সাহিত্যাচাৰ্য সন্মান**

**ই-সংবাদ মহানগৰ সেৱা, ২৮ জানুৱাৰীঃ** অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা বিশেষ অৱদানৰ ৬ পৃষ্ঠাত চাওক

www.newsnextone.com


e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, JANUARY 29, 2025 ■ বুধবাৰ, ১৫ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৩২ Guwahati, Assam ।। মূল্যঃ এটকা

## ১১ দিনৰ ভিতৰত শপতনামা দাখিলৰ নিৰ্দেশ

# কয়লাক লৈ উচ্চ ন্যায়ালয়ৰ নিজা গোচৰ




**ন্যায়ালয়ে নিজাববীয়া গোচৰ ৰুজু কৰাৰ পিছতে দিছপুৰত হাহাকাৰ, তদন্তৰ আওতালৈ ৰথী-মহাৰথী!**

**ই-সংবাদ, ২৮ জানুৱাৰীঃ** ন্যায়ালয়ে বন্ধ কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়াৰ পিছতো অসমৰ প্ৰান্তে প্ৰান্তে চৰকাৰ-প্ৰশাসনৰ পৃষ্ঠপোষকতাত (কয়লা)ৰ অবৈধ ৰেট হোল মাইনিং চলি আছে। অবৈধ মাইনিং চলি থকাৰ ফলতে উমৰাংছুৰ তিন কিলোত সুৰংগ সদৃশ গাতত কয়লাৰ অবৈধ খননৰ বাবে সোমাই ৯ শ্ৰমিকে প্ৰাণ শেষাংশ ৫ পৃষ্ঠাত

## বিজেপিৰ একাউণ্টত আকৌ ধনৰ পাহাৰ

**নতুন দিল্লী, ২৮ জানুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ বছৰটোত প্ৰত্যাশিতভাৱেই আয় বৃদ্ধি পাইছে দুই প্ৰধান ৰাজনৈতিক প্ৰতিদ্বন্দ্বী কংগ্ৰেছ আৰু বিজেপিৰ। ২০২৩-২৪ বৰ্ষত অনুদান সংগ্ৰহত আশা কৰা ধৰনেই শীৰ্ষত স্থান লাভ কৰিছে বিজেপিয়ে। অৱশ্যে এই বছৰটোত কংগ্ৰেছো যেন পিছ পৰি ৰোৱা নাই। নিৰ্বাচন আয়োগে শেহতীয়াকৈ প্ৰকাশ কৰিছে ২০২৩-২৪ বৰ্ষৰ শেষাংশ ৩ পৃষ্ঠাত

## মাছমৰীয়ালৈ গুলী, শ্ৰীলংকাক ধমক ভাৰতৰ

**চেন্নাই, ২৮ জানুৱাৰীঃ** পক প্ৰনালীত শ্ৰীলংকাৰ নৌসেনাৰ গুলীত পাঁচগৰাকী ভাৰতীয় মাছমৰীয়া গুৰুতৰভাৱে আহত ৪ পৃষ্ঠাত

## সাংস্কৃতিক শোভাযাত্ৰাত ভাগ ল'লে ৫০ সহস্ৰাধিকে, সামৰণি পৰিল আছুৰ সাধাৰণ সভাৰ

**ই-সংবাদ, শিৱসাগৰ, ২৮ জানুৱাৰীঃ** সদৌ অসম ছাত্ৰ সন্থাৰ শিৱসাগৰ সাধাৰণ সভাৰ আজি অন্তিম দিনা জনসমুদ্ৰত পৰিণত হয় ৰাজপথ। লোকাৰণ্য হৈ পৰে ঐতিহাসিক তলাতল ঘৰৰ বাকৰি। বিশেষকৈ ৫০ সহস্ৰাধিক লোকৰ ২ পৃষ্ঠাত চাওক




## ফেব্ৰুৱাৰীত আমেৰিকালৈ যাব পাৰে মোদী

**নতুন দিল্লী, ২৮ জানুৱাৰীঃ** অহা ফেব্ৰুৱাৰীত আমেৰিকা ভ্ৰমণ কৰিব পাৰে প্ৰধানমন্ত্ৰী শেষাংশ ৪ পৃষ্ঠাত

## ৰে'লত আহিছে ম'হ, নাই মালিক!

**ই-সংবাদ, ২৮ জানুৱাৰীঃ** ছিগুিকেটে চানি ধৰিছে অসম। অসমত ব্ৰইলাৰ, গৰু, গাহৰি, চুপাৰি, কয়লাকে ধৰি সকলো সামগ্ৰীৰে শেষাংশ ৫ পৃষ্ঠাত

### গ্ৰীণ ফিল্ডত ঘোষণা মুখ্যমন্ত্ৰীৰ

## বিটিআৰত সোমাব নতুন গাঁও

**ই-সংবাদ, কোকৰাঝাৰ, ২৮ জানুৱাৰীঃ** বন্দুকৰ শব্দত ৰাতিপুওৱা এসময়ৰ এই অশান্তজৰ্জৰ অঞ্চলটোত বিটিআৰ চুক্তিৰ পিছত আমূল পৰিৱৰ্তন হৈছে। শেষাংশ ৬ পৃষ্ঠাত

## গঁড়-হাতীয়ে কাঢ়িলে ৩ জনক

**ই-সংবাদ, গুৱাহাটী-ডিমাকুছি, ২৮ জানুৱাৰীঃ** ৰাজ্যৰ অকৰ্মণ্য বিভাগৰ তৎপৰতাৰ অভাৱত বিগত ২৪ ঘণ্টাত ৰাজ্যত জনাঞ্চললৈ শেষাংশ ৩ পৃষ্ঠাত

## গাহৰি পালকৰ চৰকাৰক সকিয়নী

### তীব্ৰ আন্দোলনৰ হুংকাৰ

**ই-সংবাদ, ২৮ জানুৱাৰীঃ** সদৌ অসম গাহৰি পালক সন্থাই আজি দিছপুৰ প্ৰেছ ক্লাবত এখন শেষাংশ ৭ পৃষ্ঠাত

## অধ্যাপক উপেন ৰাভা হাকাচামলৈ বিশেষ সন্মান ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ

**ই-সংবাদ, মোৰাঝাৰ, ২৮ জানুৱাৰীঃ** শিক্ষাৰে সমৃদ্ধ এটা জাতিৰ বিকাশত কোনেও বাধা দিব নোৱাৰে। বিকশিত ভাৰতৰ সংকল্পৰ শেষাংশ ৪ পৃষ্ঠাত

## ছেপ্টেম্বৰত হ'ব বিটিআৰৰ নিৰ্বাচনঃ মুখ্যমন্ত্ৰী

**ই-সংবাদ, কোকৰাঝাৰ, ২৮ জানুৱাৰীঃ** বিটিচি নিৰ্বাচন আৰু মিত্ৰতাক লৈ বহু জল্পনা-কল্পনা অব্যাহত থকাৰ সময়তে আজি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিটিচি নিৰ্বাচনক লৈ ডাখৰ ঘোষণা কৰিছে। কোকৰাঝাৰ গ্ৰীণ ফিল্ডত বিটিআৰ চুক্তিৰ পঞ্চম বৰ্ষপূৰ্তি উদযাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদমাধ্যমৰ এক প্ৰশ্নোত্তৰত বিটিচি ৩ পৃষ্ঠাত

## এহেজাৰ ছেকেণ্ড কৃত্ৰিম সূৰ্য জ্বলাই ৰাখি চমক সৃষ্টি চীনৰ



**বেইজিং, ২৮ জানুৱাৰীঃ** কৃত্ৰিম সূৰ্যক এহাজাৰ ছেকেণ্ডৰো অধিক সময় ধৰি প্ৰজ্বলিত কৰি ৰাখি এক নতুন অভিলেখ গঢ়িবলৈ সক্ষম হ'ল চীন। দেশখনৰ শেষাংশ ২ পৃষ্ঠাত



গুৱাহাটীত ঘূৰিলে সাংসদ গৌৰৱ গগৈয়ে, মঙলবাৰে

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংস্কৃতিক শোভাযাত্ৰাত ভাগ ল'লে ৫০

অংশগ্ৰহণেৰে উলিওৱা সমন্বয় সাংস্কৃতিক শোভাযাত্ৰাই মোহিত কৰে সকলোকে। বৃহত্তৰ অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতি প্ৰতিফলিত কৰি তলাতল ঘৰৰ বাকৰিৰ স্বৰ্গদেউ চাওলুং চ্যুকাফা সমন্বয় ক্ষেত্ৰৰ পৰা শিৱসাগৰ চহৰৰ মাজমজিয়ালৈকে উলিওৱা হয় বিশাল দৃষ্টিনন্দন শোভাযাত্ৰা। কেৱল দৃষ্টিনন্দন পৰিৱেশ সৃষ্টিয়েই নহয়, এই সাংস্কৃতিক শোভাযাত্ৰাৰ পৰাই আছুৰ কেন্দ্ৰীয় নেতৃবৃন্দই অসমীয়া জাতিত ভাঙোন আনিবলৈ ষড়যন্ত্ৰ কৰা অপশক্তিক সকিয়নী দিয়ে। বিশাল সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰে লোকসংস্কৃতিৰ গৱেষক, বিশিষ্ট শিক্ষাবিদ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ অনিল শইকীয়াই। ঐতিহাসিক তলাতল ঘৰৰ বাকৰিৰ পৰা নগৰৰ বৰ্ডিং খেলপথাৰলৈ বাহিৰ কৰা বিশাল সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰি ডঃ শইকীয়াই কয় যে, অসমৰ সকলো জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি জীয়াই ৰাখিব পাৰিলেহে বৰ অসমৰ সংস্কৃতি জীয়াই থাকিব বুলি ব্যক্ত কৰে। আজিৰ এই বিশাল শোভাযাত্ৰাত অংশগ্ৰহণ কৰা প্ৰতিটো সাংস্কৃতিক দলে নিজা নিজা কলা-কৃষ্টি, সংস্কৃতি প্ৰদৰ্শন কৰি ৰাইজক মোহিত কৰিলে। দিনৰ প্ৰায় ১ বজাৰ পৰা বাহিৰ কৰা শোভাযাত্ৰাত লোকে লোকাৰণ্য হৈ পৰিছিল শিৱসাগৰৰ চৌপাশ। দুই গজৰাজ আৰু স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ প্ৰতিমূৰ্তি সন্মুখত লৈ আগবঢ়া এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰে এশ খোল, এশ তাল সহ গায়ন বায়ন, এশ গৰাকী নাচনী-ঢুলীয়া, বড়ো, টাই আহোম, সোণোৱাল কছাৰী, মেচ কছাৰী, মিচিং, গোৰ্খা, গাৰো, দেউৰী, কোচ ৰাজবংশী মহিলা সমাজ, চাহ জনজাতি, চুতীয়া, মণিপুৰী, মৰাণ, নগা, বৌদ্ধ সমাজ, বেপ্টিষ্ট মণ্ডলী, শংকৰ-আজান জিকিৰ দল, চাওৰা, উৰিয়া, মাৰোৱাৰী, ভোজপুৰী, বঙালী, শিখ, জৈন, তিৱা, শিৱসাগৰ দ্বীনী মাদ্ৰাছাৰ শিক্ষাৰ্থীৰ লগতে জিলাখনৰ তিনি শতাধিক বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰাৰ উপৰিও শোভাযাত্ৰাত প্ৰতিফলিত হৈছিল চ্যুকাফাৰ প্ৰতীকপট, ছাত্ৰ সন্থাৰ প্ৰতীকপট, অৰুণোদই বাতৰি কাকতৰ প্ৰতীকপট, শান্তিৰ সমাজ বিচাৰি প্ৰতীকপট, লাচিত, চিলাৰায় ঘোঁৰাসহ প্ৰতীকপট। জয়মতীক শাস্তি দিয়া দৃশ্য, আহোম ৰাজসভাৰ প্ৰতীকপট, শংকৰোত্তৰ যুগ, শংকৰী যুগ, চকলং বিবাহৰ লগতে অসমৰ জাতীয় জীৱনৰ দৃশ্য উপস্থাপন কৰি সকলোকে মুগ্ধ কৰে। একপ্ৰকাৰে বৰ্ণিল শোভাযাত্ৰাই উজ্জীৱিত কৰে ঐতিহাসিক শিৱসাগৰক। শোভাযাত্ৰাত অংশগ্ৰহণ কৰি আছুৰ মুখ্য উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যই কয়, "শিৱসাগৰত আজি হেজাৰ হেজাৰ জনতাই সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰি সমন্বয়ৰ বাৰ্তা বিলাইছে। যিবিলাক অপশক্তিয়ে অসমীয়া বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সংঘাত সৃষ্টি কৰিবলৈ চেষ্টা কৰি আহিছে সেই অপশক্তিসমূহক আজি সকীয়াই দিয়া হৈছে। কোনো অপশক্তিয়ে অসমীয়াৰ এই সম্প্ৰীতি, একতাত আঘাত কৰিবলৈ সাহস নকৰিব। "ইপিনে শোভাযাত্ৰাত অংশগ্ৰহণ আছুৰ সভাপতি উৎপল শৰ্মাই যি সময়ত কিছুমানে সৰু সৰু জাতি-জনগোষ্ঠীৰ অস্তিত্ব শেষ কৰি দেশত এক ধৰ্ম, এক ভাষা প্ৰৱৰ্তনৰ চেষ্টা কৰি আছে সেই সময়তে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্মাৱলম্বী লোকে একেলগে নিজৰ নিজৰ পৰম্পৰা, কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰি নিজৰ নিজৰ শক্তিশালী স্থিতি প্ৰকাশ কৰিছে, সম্প্ৰীতিৰ বাৰ্তা বিলাই দিছে। এয়া অতি আশাব্যঞ্জক।" আনহাতে আজিৰ এই শোভাযাত্ৰাত হাজাৰ হাজাৰ জনতাক ৰংঘৰ চাৰি আলি, হাতীখোক যুৱ সমাজে খোৱা পানীৰ ব্যৱস্থা কৰাৰ লগতে সমীৰণ ফুকনক বিপুল আদৰণি জনায়। সমান্তৰালকৈ ন-আলি জামাতে সমীৰণ ফুকনক অভিনন্দন জনোৱাৰ লগতে শোভাযাত্ৰাকাৰীক পানী, ফলমূল বিতৰন কৰাৰ লগতে নগৰত জৈন সমাজৰ লগতে বহু অনুষ্ঠানে শোভাযাত্ৰাকাৰীক পানী যোগান ধৰে। ইফালে শোভাযাত্ৰাৰ পূৰ্বে অনুষ্ঠিত হোৱা সভাত আছুৰ সভাপতি উৎপল শৰ্মাই পথৰুঘাটৰ কৃষক বিদ্ৰোহত বৃটিছৰ বিৰুদ্ধে যুঁজ দি মৃত্যুবৰণ কৰা ছহীদসকলক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেখেতে সাংস্কৃতিক, ঐতিহাসিকভাৱে শিৱসাগৰ চহকী বুলি ব্যক্ত কৰাৰ লগতে শিৱসাগৰৰ সৈতে আছুৰ এক আত্মিক সমন্ধ আছে বুলি উল্লেখ কৰে। নবনিৰ্বাচিত সাধাৰণ সম্পাদক সমীৰন ফুকনে বলিষ্ঠ বাটৰ সন্ধান কৰিবলৈ ৰাইজে আৰ্শীবাদ কৰিব বুলি মন্তব্য কৰে। মানৱ হাজৰিকা আৰু দীপাংকৰ শইকীয়াই আত ধৰা সভাত আছুৰ মুখ্য উপদেষ্টা ডঃ সমজ্জুল ভট্টাচাৰ্যই আছুৱে অসমৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে দীঘলীয়া সংগ্ৰাম অব্যাহত ৰাখিব বুলি কোৱাৰ লগতে আছুয়ে ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট অভিনেতা অৰুণ হাজৰিকাই আমাৰ জাতীয়তাবোধ আছে। জাতীয় চেতনা আছে বুলি কোৱাৰ লগতে আজিৰ বৰ্ণিল শোভাযাত্ৰাই প্ৰমাণ কৰিব আমি অসমীয়া নহও দুখীয়া। আনহাতে জয়জ্যোতি গগৈ আৰু আদিত্য শৰ্মাৰ সম্পাদিত "লিকতঙ চাউ", ড০ উৎপল দত্ত আৰু এনামউদ্দিন আহমেদৰ সম্পাদিত "ৰত্নপ্ৰভ" আৰু টুটুমনি কলিতা আৰু নিহাৰীকা শইকীয়াৰ সম্পাদনাৰ "অনিমেয়" শীৰ্ষক তিনিখনকৈ স্মাৰক গ্ৰন্থ ক্ৰমে ডঃ সব্যসাচী মহন্ত, ডঃ সৌমাৰজ্যোতি মহন্ত আৰু ডঃ জ্যোতিপ্ৰসাদ শইকীয়াই উন্মোচন কৰে। উন্মোচন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগৰ প্ৰাধ্যাপক ডঃ জ্যোতিপ্ৰসাদ শইকীয়াই আছুৱে বৌদ্ধিক আন্দোলনক আগুৱাই নিছে বুলি কোৱাৰ লগতে অসমীয়া সমাজ জীৱনৰ সৌন্দৰ্য বৃদ্ধি কৰিবলৈ কাম কৰি যাব বুলি আশা ব্যক্ত কৰে। অনুষ্ঠানত আদৰণি সমিতিৰ সভাপতি ডঃ সব্যসাচী মহন্ত, কাৰ্যকৰী সভাপতি শৰৎ হাজৰিকা, ডঃ সৌমাৰজ্যোতি মহন্ত, অভিনেত্ৰী অমৃতা গগৈ, যশস্বী ভূঞা, শ্ৰেয়া বৰঠাকুৰ, বিজয় শংকৰ বৰদলৈ আদি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে বহু সংখ্যক লোক উপস্থিত আছিল। শোভাযাত্ৰাৰ অন্তত নিশাৰ ভাগত অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ সংগীতানুষ্ঠানে জীপাল কৰি তোলে তলাতলৰ বাকৰি।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এহেজাৰ ছেকেণ্ড কৃত্ৰিম সূৰ্য জ্বলাই

বিজ্ঞানীয়ে এক্সপেৰিমেন্টেল এডভান্সড ছুপাৰকণ্ডাক্টিং টকমাক অৰ্থাৎ কৃত্ৰিম সূৰ্যক ১০০ মিলিয়ন ডিগ্ৰী চেলছিয়াছৰ স্থিৰ অৱস্থাৰ উষ্ণতাত ১০৬৬ ছেকেণ্ডৰ বাবে প্লাজমা চলাই অভিলেখ সৃষ্টি কৰে। চীনা বিজ্ঞান একাডেমীৰ অধীনস্থ প্লাজমা পদাৰ্থ বিজ্ঞান প্ৰতিষ্ঠানে লাভ কৰা এই কৃতিত্ব গৱেষণাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে চীনে কৃত্ৰিম সূৰ্যক ৪০৩ ছেকেণ্ডৰ বাবে সফলতাৰে প্ৰজ্বলিত কৰি ৰাখিবলৈ সক্ষম হৈছিল যদিও এইবাৰ ১০৬৬ ছেকেণ্ডৰ নতুন অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। এই নতুন অভিলেখক সূৰ্য্যৰ দৰে শক্তি উৎপাদন কৰিব পৰা সংযোজন ৰিয়েক্টৰ সৃষ্টিৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। সংযোজন বিক্ৰিয়াত দুটা লঘু নিউক্লিয়াছ একত্ৰিত হৈ গধুৰ নিউক্লিয়াছ গঠন কৰে আৰু শক্তি মুকলি কৰে। চীনে এই প্ৰযুক্তি ব্যৱহাৰ কৰি স্বচ্ছ শক্তি উৎপাদন কৰিব বিচাৰিছে, য'ত সাগৰত থকা ডিউটেৰিয়ামৰ পৰা শক্তি আহৰণ কৰা হ'ব। চীনৰ ইএছটি ৰিয়েক্টৰৰ এই পৰীক্ষামূলক অভিলেখে যোৱা কেইবছৰমানৰ পৰা ধাৰাবাহিকভাৱে সফলতাৰে নতুন মাইলৰ খুঁটিত উপনীত হৈছে। এএছআইপিপিৰ পৰিচালক ছং ইউন্টাওৱে এই কৃতিত্বক অতি গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰি কয় যে, “যদি ফিউজন ডিভাইচটোৱে হাজাৰ হাজাৰ ছেকেণ্ডৰ বাবে সুস্থিৰভাৱে কাম কৰিব পাৰে, তেন্তে ভৱিষ্যতে ই শক্তি উৎপাদনৰ এক প্ৰধান উৎস হ'ব পাৰে।” লক্ষ্যণীয় যে, চীনৰ বাহিৰেও বিশ্বৰ আন দেশৰ গৱেষণাৰ বাবে এয়া গুৰুত্বপূৰ্ণ, কিয়নো ২০২০ চনত কোৰিয়াৰ ছুপাৰকণ্ডাক্টিং টকামাক এডভান্সড ৰিচাৰ্চে ২০ ছেকেণ্ডৰ বাবে ১০০ মিলিয়ন ডিগ্ৰী চেলছিয়াছ উষ্ণতা সফলতাৰে লাভ কৰিছিল। চীনৰ এই সাফল্যাই বিশ্বজুৰি চৰ্চা লাভ কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# ছেপ্টেম্বৰত হ'ব বিটিআৰৰ নিৰ্বাচন

নিৰ্বাচন অহা ছেপ্টেম্বৰ মাহত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। ছেপ্টেম্বৰ মাহৰ ২০ তাৰিখৰ আগতে অৰ্থাৎ অহা দুৰ্গাপুজাৰ আগতে বিটিচিৰ নিৰ্বাচনৰ সমুহ কাম-কাজ শেষ কৰিম বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আনহাতে আগন্তুক বিটিচি নিৰ্বাচনত ইউপিপিএলৰে মিত্ৰতা থাকিব নে অকলে নিৰ্বাচনত খেলিব বুলি সাংবাদিকে সোধা এক প্ৰশ্নোত্তোৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে বিটিচি নিৰ্বাচনত বিজেপি আৰু ইউপিপিএল মিত্ৰতাত থাকি নিৰ্বাচন খেলিব নে নাই গোটেই কথাখিনি নিৰ্ভৰ কৰিব প্ৰমোদ বড়ো আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ মাজত। তেওঁলোক দুইজনে এইবিষয়ত কথা পাতিব। গোটেই কথাখিনি কৌশল আৰু নীতিৰ ওপৰত নিৰ্ভৰ কৰে বুলি মন্তব্য কৰি হিমন্ত বিশ্ব শৰ্মাই কয় যে যোৱা বিটিচি নিৰ্বাচনত আমি অকলে নিৰ্বাচনত খেলিছো। একেলগে খেলিলে যদি বেছি ছিট পোৱা যায় একেলগে খেলিম আৰু যদি অকলে খেলিলে বেছি ছিট পোৱা যায় তেন্তে অকলে খেলিম বুলি তাপৰ্যপূৰ্ণ মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইউপিপিএল বৰ্তমানেও এনডিএৰ সহযোগী দল বুলিও মন্তব্য কৰিছে। আয়নহাতে বিটিআৰ চুক্তিয়ে বড়োলেণ্ড অঞ্চলত স্থায়ী শান্তি লৈ আহিছে আৰু প্ৰগতি আৰু বিকাশত নতুন ভেটি নিৰ্মাণ কৰিছে বুলি মন্তব্য কৰি বিটিআৰ চুক্তিৰ কেইটামান দফাহে মাত্ৰ ৰূপায়ন হবলৈ বাকী আছে। ইয়াৰ বাবে ভাৰতৰ সংবিধান সংশোধন কৰাৰ প্ৰয়োজন আছে আৰু এইক্ষেত্ৰত দুই এদিনতে আমি ভাল খবৰ শুনিবলৈ পাম বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তদুপৰি এনডিএফবিৰ গোচৰ প্ৰত্যাহাৰকৰণৰ ক্ষেত্ৰত সাংবাদিকৰ এক প্ৰশ্নোত্তোৰত হিমন্ত বিশ্ব শৰ্মাই কয় যে বেছিভাগ গোচৰে প্ৰত্যাহাৰ কৰা হৈছে কিন্তু বিটিআৰ শান্তি চুক্তিৰ আগতে যিকেইটা গোচৰৰ চাৰ্জচিট দাখিল কৰা হৈছে তাৰ সিদ্ধান্ত কোৰ্টে ল'ব। কোৰ্টক আমি অনুৰোধ কৰি আছো আৰু ৭-৮ টা গোচৰৰ এনআইএৰ পৰা অসম চৰকাৰলৈ হস্তান্তৰ কৰাৰ বাবে প্ৰক্ৰিয়া চলি আছে। কংগ্ৰেছৰ সভাপতিয়ে মহাকুম্ভক লৈ প্ৰতিক্ৰিয়া দিয়া সন্দৰ্ভত ড° হিমন্ত বিশ্ব শৰ্মাই নিজ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে কংগ্ৰেছৰ সভাপতিয়ে হজক লৈ প্ৰতিক্ৰিয়া দিব পাৰিব নে নাই? যদিহে নোৱাৰে তেনেহলে অইন ধৰ্মক লৈও প্ৰতিক্ৰিয়া দিয়াৰ পৰা বিৰত থকা উচিত। ধৰ্মনিৰপেক্ষতা বৰ্তাই ৰাখিলে হে দেশ আগবাঢ়ি যাব বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আনহাতে এগুভান্টেজ আছাম ২.০ লৈ আশাবাদী বুলি মন্তব্য প্ৰকাশ কৰিছে ড° শৰ্মাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ একাউণ্টত আকৌ ধনৰ

ৰাজনৈতিক দলসমূহৰ অডিট ৰিপ'ৰ্ট। আয়োগৰ তথ্য অনুসৰি, লোকসভা নিৰ্বাচন অনুষ্ঠিত হোৱা বছৰটোত বিজেপিয়ে লাভ কৰিছে ৩৯৬৭ কোটি টকাৰ অনুদান। লক্ষ্যণীয়ভাৱে ইয়াৰে ১২৯৪ কোটি টকা গেৰুৱা বাহিনীয়ে লাভ কৰিছে নিৰ্বাচনী বণ্ডৰ জৰিয়তে। উল্লেখ্য যে, যোৱা বছৰ অৰ্থাৎ ২০২২-২৩ চনত বিজেপিৰ মুঠ আয় আছিল ২১২০ কোটি টকা, কিন্তু ২০২৩-২৪ত এই আয় ৮৭ শতাংশ বৃদ্ধি পোৱা পৰিলক্ষিত হয়। অৱশ্যে নিৰ্বাচনৰ পূৰ্বে উচ্চতম ন্যায়ালয়ে নিৰ্বাচনী বণ্ডক অসাংবিধানিক বুলি ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত এই সময়ছোৱাত বিজেপিৰ নিৰ্বাচনী বণ্ডৰ জৰিয়তে লাভ কৰা অনুদানৰ পৰিমাণ হ্ৰাস পাইছে। ইফালে, ২০২৩-২৪ বৰ্ষত আয় বৃদ্ধি পাইছে কংগ্ৰেছৰো। এই সময়ছোৱাত কংগ্ৰেছৰ আয় ৩২০ শতাংশ বৃদ্ধি হৈ ১১২৯ কোটি টকা লাভ কৰিছে। মন কৰিবলগীয়া যে, যোৱা বছৰ কংগ্ৰেছে লাভ কৰা অনুদান আছিল মাত্ৰ ২৬৮ কোটি টকা। ইফালে, এইবছৰ বিৰোধী দলটোৱে লাভ কৰা অনুদানৰ ৮২৮ কোটি টকাই লাভ কৰিছে নিৰ্বাচনী বণ্ডৰ পৰা। প্ৰণিধানযোগ্য যে, বিশ্বৰ আটাইতকৈ ধনী ৰাজনৈতিক দল হিচাপে পৰিচিত বিজেপিৰ বিৰুদ্ধে সন্মুখ সমৰত অৱতীৰ্ণ হোৱা কঠিন বুলি অভিযোগ উত্থাপন কৰি আহিছে বিৰোধীয়ে। আৰ্থিক শক্তি প্ৰয়োগ কৰি বিজেপিয়ে নিৰ্বাচনৰ ফলাফল নিজৰ ফলীয়া কৰি লোৱাৰ অভিযোগ কৰিছে বিৰোধীয়ে। আজি নিৰ্বাচন আয়োগে প্ৰকাশ কৰা অডিট ৰিপ'ৰ্টটো প্ৰতিফলিত হৈছে একেই দৃশ্য।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গঁড-হাতীয়ে কাঢ়িলে ৩ জনক

ওলাই অহা বন্যপ্ৰাণীৰ আক্ৰমণত তিনিজনকৈ লোকে প্ৰাণ হেৰুওৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কাজিৰঙাত এটা প্ৰকাণ্ড এশিঙীয়া গঁড়ৰ আক্ৰমণত এজন লোক নিহত হোৱাৰ লগতে বিটিআৰৰ ওদালগুৰি জিলাৰ ডিমাকুছিত বনৰীয়া হাতীৰ জাকৰ আক্ৰমণত মাতৃ-কন্যাই প্ৰাণ হেৰুৱায়। আজি পুৱাই কাজিৰঙাৰৰ হাতীখুলি হালধিবাৰীৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথত প্ৰাতঃভ্ৰমণলৈ ওলাই আহিছিল ৫৬ বছৰীয়া বিক্ৰম লোহাৰ। তেনে সময়তে বিক্ৰম লোহাৰক দেখা মাত্ৰকে অকলশৰীয়া এটা গঁড়ে চোচা লয়। পলায়নৰ প্ৰয়াস কৰিছিল যদিও গঁড়টোৱে শিঙেৰে আক্ৰমণত কৰাত ৰাজপথ বাগৰি পৰে লোহাৰ। কিছু সময় পাছতে লোহৰৰ মৃত্যু হয়। মৃতদেহ উদ্ধাৰ কৰি আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে। আনহাতে, ওদালগুৰি জিলাৰ ডিমাকুছিত ২০২৫ বৰ্ষৰ প্ৰথমটো কৰুণ ঘটনা সংঘটিত হয়। ডিমাকুছিৰ শান্তিপুৰত বন্যহস্তীৰ আক্ৰমণত নিহত হয় একেটা পৰিয়ালৰে দুগৰাকী লোক। নিশা শুই থকা অৱস্থাতেই মাতৃ আৰু কন্যাক বন্যহস্তীয়ে গছকি হত্যা কৰে। একেটা পৰিয়ালৰে বন্যহস্তীৰ আক্ৰমণৰ পৰা কথমপি প্ৰাণৰক্ষা পৰে শিশুসহ তিনিগৰাকীৰ ব্যক্তিৰ। বন্যহস্তীৰ আক্ৰমণত নিহত হয় লালমেক কৰ্মকাৰ (৬০) আৰু অকু কৰ্মকাৰ (৪০)। দুয়োগৰাকী মাতৃ আৰু কন্যা। মঙলবাৰে পুৱতি নিশা প্ৰায় ৩.৩০ মান বজাত শুই থকা অৱস্থাতেই হৃদয়বিদাৰক কৰুণ ঘটনা সংঘটিত হয়। কেইবামাহো ধৰি স্থানীয় বৰঙ্গাজুলি আৰু বাদলাপাৰা চাহ বাগিচাত আশ্ৰয় লৈ থকা হাতী খেদি পঠিয়াবলৈ ব্যৰ্থ হৈছে বিয়াগোম বন বিভাগ। স্থানীয় ৰাইজে ক্ষোভ উজাৰিছে বন বিভাগ আৰু প্ৰশাসনৰ বিৰুদ্ধে। প্ৰতিদিনে জিলাখনৰ বিভিন্ন প্ৰান্তত বন্যহস্তীৰ আক্ৰমণত নিৰীহ লোকে অকালতে প্ৰাণ হেৰুৱায় আহিছে যদিও আজিলৈকে কিন্তু চকু মুদাৰ কুলিৰ ভাও ধৰি আছে বনমন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী। অঞ্চলটোত বৃদ্ধি পোৱা হাতী-মানুহৰ সংঘাতৰ বাবে চৰকাৰ প্ৰশাসন আৰু বন বিভাগকে জগৰীয়া কৰিছে। স্থানীয় অভয়াৰণ্যত হাতী খেদিবলৈ নাই পৰ্যাপ্ত পৰিমাণে সা-সুবিধা, তথা বনকৰ্মী। বৃহত্তৰ অঞ্চলটোত নিশা হাতী ওলালে এফালে হাতী খেদিবলৈ গ'লে আনফালে যাবলৈ নাথাকে বনকৰ্মী। বাৰকুৰি বাৰটা সমস্যাৰে জৰ্জৰিত হৈ পৰিছে স্থানীয় বন বিভাগ। সেয়েহে শীঘ্ৰে উচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ বিটিআৰ চৰকাৰ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কাতৰ আহ্বান জনাইছে সচেতন যুৱ সমাজৰ উপৰিও বিভিন্ন দল-সংগঠনে। বন বিভাগৰ সহযোগিতাতে এচাম বনদস্যুই জিলাখনৰ সেউজীয়া বনভূমিৰ তলি উদং কৰাৰ বাবেই এনেদৰে বৃদ্ধি হৈছে হাতী-মানুহৰ সংঘাত। আনহাতে স্থানীয় বনাঞ্চলসমূহত বনাঞ্চল ৰক্ষাৰ বাবে চৰকাৰৰ কোনো সদিচ্ছা নাই। বন বিভাগৰ হাতত হাতী খেদিবলৈ নাই পৰ্যাপ্ত পৰিমাণৰ সা-সুবিধা। যাৰ পৰিণাম স্থানীয় ৰাইজে ভূগিব লগীয়া হৈছে। শীঘ্ৰে চৰকাৰক প্ৰথমে বনভূমি ৰক্ষাত গুৰুত্ব দিবলৈ বন বিভাগ স্থানীয় জনপ্ৰতিনিধি তথা চৰকাৰক দাবী জনাইছে ৰাইজে। উল্লেখ্য যে, ওদালগুৰি জিলাৰ ভাৰত ভুটান সীমান্তত বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত। ভুটান সীমান্তৰত হাতী-মানুহৰ ভয়ংকৰ পৰিণতিত নিদ্ৰাহৰণ কৰিবলগীয়া হৈছে সাধাৰণ জনতাই। হাতী-মানুহৰ সংঘাতত জুৰুলা জিলাখনৰ ডিমাকুছি, ৰজাগড়, বৰঙ্গাজুলি, ঔৰঙ্গাজুলি, বাদলাপাৰা, ভুটিয়াচাং , টেংকিবস্তি, কালিখোলা, নালাপাৰাকে ধৰি বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণ। প্ৰতিদিনে বন্যহস্তীৰ আক্ৰমণত নিৰীহ লোকৰ মৃত্যু হয়। তথাপিও নিৰ্বিকাৰ প্ৰশাসন। কুম্ভকৰ্ণৰ নিদ্ৰাত ৰাজ্য চৰকাৰ আৰু বিটিআৰ চৰকাৰৰ বিয়াগোম বন বিভাগ। বনাঞ্চলত খাদ্য, খোৱা পানীৰ অভাৱত বনাঞ্চলৰ পৰা হাতী সঘনাই জনাঞ্চলত প্ৰৱেশ কৰে বন্যপ্ৰাণী। তথাপিও বন্যপ্ৰাণীৰ খোৱা খাদ্যৰ সংৰক্ষণত অৱহেলা কৰি আহিছে বিভাগে। দিন গৈছে মানে জীৱশ্ৰেষ্ঠৰ সৈতে সংঘাতত লিপ্ত হৈছে বন্যহস্তী।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাছমৰীয়ালৈ গুলী, শ্ৰীলংকাক ধমক

হোৱাৰ পিছতে প্ৰতিবাদত নামিছে ভাৰত। এই ঘটনাৰ পিছতে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কলোম্বৰ ৰাষ্ট্ৰদূতক তলব কৰি ঘটনাৰ বিতং ব্যাখ্যা বিচাৰে। উল্লেখ্য যে, ডেলফ্ট দ্বীপৰ সমীপত আন্তঃৰাষ্ট্ৰীয় জলসীমা অতিক্ৰম কৰাৰ অভিযোগত মঙলবাৰে পুৱা শ্ৰীলংকাৰ নৌসেনাই গ্ৰেপ্তাৰ কৰে ১৩ জন ভাৰতীয় মাছমৰীয়াক। এই সময়তে ভাৰতীয় নৌসেনাই সংঘটিত কৰা গুলীচালনাত আহত হয় পাঁচজন মাছমৰীয়া। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে, আহতসকলৰ ভিতৰত তিনিজনক প্ৰাথমিক চিকিৎসা প্ৰদান কৰা হয় আৰু দুজনক জাফনা টিচিং হাস্পতালত ভৰ্তি কৰা হৈছে। ভাৰতীয় দূতাবাসৰ প্ৰতিনিধিয়ে চিকিৎসালয়খনত চিকিৎসাধীন হৈ থকা মাছমৰীয়াসকলক সাক্ষাৎ কৰে। উল্লেখ্য যে, ইয়াৰ পূৰ্বেও শ্ৰীলংকাৰ নৌসেনাই সংঘটিত কৰিছিল অনুৰূপ কাণ্ড। যোৱা বছৰ শ্ৰীলংকাৰ নৌসেনাই কাচচাটিভু দ্বীপৰ ওচৰত ভাৰতীয় মাছমৰীয়াৰ এখন নাওলৈ লক্ষ্য কৰি গুলীবৰ্ষণ কৰাত নিহত হৈছিল দুজন মাছমৰীয়া। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই ঘটনাক গৰিহণা দি শ্ৰীলংকাৰ ৰাষ্ট্ৰদূতক তলব কৰি স্পষ্ট ব্যাখ্যা বিচাৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অধ্যাপক উপেন ৰাভা হাকাচামলৈ

ভেটি ৰচনা হওক এনে প্ৰতিষ্ঠানৰ সমৃদ্ধিৰে। ২০৪৭ৰ বিকশিত ভাৰতৰ সপোনৰ ভেটি নিৰ্মাণৰ কামত ব্ৰতী হওক উচ্চ শিক্ষাৰ এই প্ৰতিষ্ঠানবোৰ। হোজাই ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ দ্বিতীয় দীক্ষান্ত সমাৰোহত উপস্থিত থাকি এই মন্তব্য কৰে অসমৰ ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষ্মন প্ৰসাদ আচাৰ্যই। কবিগুৰুৰ নামত প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়খনৰ সমাৱৰ্তনত ছাত্ৰতকৈ ছাত্ৰীৰ সংখ্যা সৰহ দেখি ৰাজ্যপাল গৰাকীয়ে সন্তুষ প্ৰকাশ কৰি কয়, "চৰকাৰে ছাত্ৰীৰ শিক্ষাত গুৰুত্ব দিয়াৰ ফলত এইদৰে ছাত্ৰীসকল আগবাঢ়ি আহিব পাৰিছে।" বিশ্ববিদ্যালয়খনৰ সামগ্ৰিক বিকাশত সন্তুষ্টি প্ৰকাশ কৰে ৰাজ্যপালগৰাকীয়ে। এক সুন্দৰ ব্যৱস্থাপনা আৰু বৰ্ণিল কাৰ্যসূচীৰে সমাপন হ'ল হোজাইস্থিত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ দ্বিতীয় দীক্ষান্ত সমাৱৰ্তন। বিশ্ববিদ্যালয়খনৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ চৌহদত অনুষ্ঠিত হোৱা এই সমাৱৰ্তনখনত সভাপতিত্ব কৰে ৰাজ্যৰ ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষ্মন প্ৰসাদ আচাৰ্যই। সমাৱৰ্তনখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননীগোপাল মহন্ত, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছৰ মানবেন্দ্ৰ দত্ত চৌধুৰী। দীক্ষান্ত সমাৰোহত অসমীয়া ভাষা-সংস্কৃতিলৈ আগবঢ়োৱা বিশিষ্ট অৱদানৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক তথা ভাষা-সংস্কৃতিৰ বিশিষ্ট গৱেষক, সু-সাহিত্যিক প্ৰফেছৰ উপেন ৰাভা হাকাচামলৈ প্ৰথম বৰ্ষৰ 'জীৱনজোৰা সাধনা বঁটা' আগবঢ়োৱা হয়। বঁটাটিত মানপত্ৰৰ লগতে এক লাখ টকা আগবঢ়োৱা হয়। এইবাৰৰ দীক্ষান্ত সমাৱৰ্তনখনিত তিনিটা সোণৰ পদকসহ স্নাতকোত্তৰ শ্ৰেণীৰ ৮১ গৰাকী আৰু স্নাতক শ্ৰেণীৰ ৪৫৯ গৰাকী ছাত্ৰ-ছাত্ৰীক দীক্ষান্ত প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। সমাৱৰ্তনখনত দুগৰাকী ছাত্ৰী ক্ৰমে বাংলা বিভাগত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰা সুস্মিতা দেৱনাথ আৰু ৰসায়ন বিজ্ঞানত ৰুজুমা বেগমে স্বৰ্ণপদক লাভ কৰাৰ লগতে স্নাতকোত্তৰ মহলাত জীৱ বিজ্ঞানত দেৱৰাজ ৰয়ে স্বৰ্ণ পদক লাভ কৰে। উল্লেখযোগ্য যে ২০২৪ বৰ্ষত দুটা সোণৰ পদকসহ স্নাতকোত্তৰ শ্ৰেণীৰ ১৭৪ গৰাকী আৰু স্নাতক শ্ৰেণীৰ ৯৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক দীক্ষান্ত প্ৰমাণপত্ৰ প্ৰদান কৰা হৈছিল। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থকা অধ্যাপক ননী গোপাল মহন্তই বিশ্ববিদ্যালয়বোৰৰ বিদ্যায়তনিক দিশত কৰা কাম আৰু নতুন শিক্ষা ব্যৱস্থাত কৰিবলগীয়া সংযোজনৰ ওপৰত এক তাত্বিক বক্তব্য আগবঢ়ায়। সময়ৰ লগতে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰো আগবাঢ়িব লাগিব বুলি কয় অধ্যাপক মহন্তই। বিশ্ববিদ্যালয়খনৰ শিক্ষক আৰু অনা-শিক্ষক গোটৰ সমবেত কণ্ঠত ৰাষ্ট্ৰীয় সংগীত আৰু জাতীয় সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত হোজাই জিলাখনৰ বিভিন্ন কলেজৰ অধ্যক্ষসকল, বিশ্ববিদ্যালয়ৰ বিভিন্ন সমিতিৰ সদস্যৰ লগতে বহুকেইগৰাকী বিশিষ্ট নাগৰিক উপস্থিত থাকে। অনুষ্ঠানটোত বহু কেইগৰাকী স্থানীয় লোকো উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ফেব্ৰুৱাৰীত আমেৰিকালৈ যাব পাৰে

নৰেন্দ্ৰ মোদীয়ে। সোমবাৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ সৈতে মোদীৰ ফৌনিক বাৰ্তালাপৰ পিছতে পোহৰলৈ আহিছে তেওঁৰ এই ভ্ৰমণৰ সম্ভাৱনা। এই ফৌনিক বাৰ্তালাপৰ বিষয়ে জানিবলৈ দি ট্ৰাম্পে কয় যে ফেব্ৰুৱাৰী মাহত ভাৰতৰ প্ৰধানমন্ত্ৰী মোদী হোৱাইট হাউচ ভ্ৰমণ কৰিব পাৰে। ট্ৰাম্পে কয় যে ফ্ল'ৰিডাৰ পৰা মেৰিলেণ্ডৰ আমেৰিকাৰ বায়ুসেনাৰ ঘাটি জইণ্ট বেছ এণ্ড্ৰুজলৈ উভতি আহি থকাৰ সময়ত তেওঁ মোদীৰ সৈতে ফোনত দীঘলীয়া কথা পাতে। আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, "মোদীৰ সৈতে মোৰ বহু কথা-বতৰা হৈছে। আমাৰ সম্পৰ্ক বহুত ভাল, আৰু তেওঁ হয়তো ফেব্ৰুৱাৰী মাহত হোৱাইট হাউছলৈ আহিব।" অৱশ্যে ট্ৰাম্পে এই ফোনকলত কি আলোচনা কৰা হৈছে সেই সন্দৰ্ভত মন্তব্য কৰাৰ পৰা বিৰত থাকে। উল্লেখ্য যে, মোদী আৰু ট্ৰাম্পৰ মাজৰ ব্যক্তিগত ঘনিষ্ঠতাই অনেকবাৰ বাতৰিৰ শিৰোনাম দখল কৰিছে। ২০১৯ চনত হিউষ্টনত অনুষ্ঠিত হোৱা 'হাউডী মোদী' ৰেলী আৰু ২০২০ চনত গুজৰাটৰ আহমেদাবাদত অনুষ্ঠিত 'নমস্তে ট্ৰাম্প' অনুষ্ঠানত দুয়োজনৰ সম্পৰ্ক দেখা গৈছিল। প্ৰথম কাৰ্যকালত ট্ৰাম্পৰ অন্তিম বিদেশ ভ্ৰমণ আছিল ভাৰতলৈ। মোদী-ট্ৰাম্পৰ ফোন কলৰ পিছত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে যে ট্ৰাম্পে নতুন দ্বিপাক্ষিক কূটনৈতিক আলোচনাৰ সূচনা কৰিছে। মোদীয়ে ছ'চিয়েল মিডিয়াত লিখিছে, "প্ৰিয় বন্ধু' ট্ৰাম্পৰ সৈতে আলোচনা হৈছে আৰু দুয়োখন দেশে বিশ্বৰ শান্তি আৰু সমৃদ্ধিৰ বাবে একেলগে কাম কৰিব।" অৱশ্যে ট্ৰাম্প প্ৰশাসনে কিছুমান নতুন নীতি গ্ৰহণ কৰিছে, তাৰ ভিতৰত এটা হৈছে আমেৰিকাৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়া। ইয়াৰ অংশ হিচাপে আমেৰিকাই অবৈধ অনুপ্ৰৱেশকাৰীক চিনাক্ত আৰু বিতাড়ন আৰম্ভ কৰিছে। ট্ৰাম্পৰ এই সিদ্ধান্তই শংকিত কৰি তুলিছে আমেৰিকাত বাস কৰা হাজাৰ হাজাৰ ভাৰতীয়ক। এই সন্দৰ্ভত স্পষ্ট কৰি ভাৰত চৰকাৰে কয় যে প্ৰয়োজনীয় নথি-পত্ৰ পোৱা গ'লে অবৈধ অনুপ্ৰৱেশকাৰীক ঘূৰাই দিয়া হ'ব। বৈদেশিক মন্ত্ৰী এছ জয়শংকৰেও আমেৰিকা ভ্ৰমণৰ সময়ত এই বিষয়ত স্পষ্টকৈ কয়। ইয়াৰ উপৰিও আমেৰিকাত ভিছা লাভৰ বাবে দীৰ্ঘদিনীয়া অপেক্ষাৰ বিষয়টোও আলোচনা কৰা হয়। জয়শংকৰে কয় যে যদি সাধাৰণ নাগৰিকে ভিছা লাভ কৰিবলৈ ইমান সময় লাগে, তেন্তে এয়া স্পষ্ট যে দ্বিপাক্ষিক সম্পৰ্ক সঠিকভাৱে বজাই ৰখা হোৱা নাই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কয়লাক লৈ উচ্চ ন্যায়ালয়ৰ নিজা

হেৰুৱাইছিল। মাথো ৪ শ্ৰমিকৰহে মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। উচ্চতম ন্যায়ালয়ে পূৰ্বেই ৰেট হোল মাইনিং বন্ধ কৰি ৰাখিবলৈ কঠোৰ নিৰ্দেশ দিয়াৰ পিছতো চলি আছিল তেনে বিপজ্জনক কাম। যাৰ ফলত ৯ শ্ৰমিকে গাতত সোমাই প্ৰাণ হেৰুৱায়। এই ঘটনাক ন্যায়ালয়ে গুৰুত্বসহকাৰে লৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ ঘটনা সন্দৰ্ভত গোচৰ ৰুজু কৰিছে। মঙলবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ নেতৃত্বত গঠিত খণ্ড বিচাৰপীঠে সমগ্ৰ ঘটনাৰ সন্দৰ্ভত ৰাজ্য চৰকাৰক শপতনামা দাখিলৰ নিৰ্দেশ প্ৰদান কৰিছে। অহা ৭ ফেব্ৰুৱাৰীৰ ভিতৰত ৰাজ্য চৰকাৰে এই শপতনামা দাখিল কৰিব লাগিব। মুখ্য ন্যায়াধীশৰ নেতৃত্বত গঠিত খণ্ড বিচাৰপীঠে ঘটনাক লৈ ৰাজ্য চৰকাৰৰ পৰা উত্তৰ বিচাৰিছে। উচ্চ ন্যায়ালয়ে উমৰাংছুৰ ঘটনাক লৈ নিজাববীয়াকৈ গোচৰ ৰুজু কৰাৰ পিছতে দিছপুৰত খলকনি লাগিছে। কেৱল দিছপুৰতে নহয় তিনিচুকীয়া, কাৰ্বি আংলং, ডিমা হাচাওত বিগত দুই তিনিবছৰ ধৰি কৰ্মৰত একাংশ আৰক্ষী বিষয়া, প্ৰশাসনিক বিষয়াৰ মাজত আতংকৰ সৃষ্টি হোৱা বুলি জানিব পৰা গৈছে। কেঁচু খান্দোতে সাপ ওলোৱাৰ ভয় বিষয়াসকলৰ। কিয়নো বিজেপি দল-চৰকাৰৰ প্ৰভাৱশালী নেতাৰ লগত ৰাজ্য চৰকাৰৰ বহু প্ৰভাৱশালী বিষয়াই কয়লাৰ অবৈধ খননত জড়িত। যদি ন্যায়ালয়ে পেচ টানি দিয়ে তেন্তে বহুতৰে মুখাৰ আঁৰৰ মুখখন খোল খোৱাৰ ভয়। তদন্তৰ আওতাত আহিব পাৰে বুলি অন্তৰত মৃদু কম্পন আৰম্ভ হৈছে একাংশ বিজেপিৰ নেতা-বিষয়াৰ। অসম আৰক্ষীয়ে গোচৰ ৰুজু কৰি তিন কিলোৰ অবৈধ খনিটোত নিয়োজিত কেইবাজনো শ্ৰমিক-মেনেজাৰক গ্ৰেপ্তাৰ কৰিছে যদিও এই পৰ্যন্ত মুখ্য অভিযুক্ত ডিমা-হাচাও স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইক গ্ৰেপ্তাৰ কৰাটো দূৰৰ কথা সোধ-পোছৰ বাবেও মাতি নিব পৰা নাই অসম আৰক্ষীয়ে। কিয়নো যিটো খনিত ৯ শ্ৰমিত নিহত হৈছে সেই খনিটোৰ খননৰ অনুমতি আছিল কণিকা হোজাইৰ নামত। অসম খনিজ উন্নয়ন নিগমে অবৈধভাৱে ৰেট হোল মাইনিঙৰ অনুমতি প্ৰদান কৰিছিল। বিজেপি নেতা দেৱলাল গাৰ্লোছাৰ পত্নী হোৱাৰ সুবাদতে কণিকা হোজাইৰ কাষ চাপিব পৰা নাই আৰক্ষী। ইপিনে মুখ্যমন্ত্ৰীয়ে ঘটনাক লৈ ন্যায়িক তদন্ত ঘোষণা কৰাৰ লগতে বিশেষ তদন্তকাৰী সমিতি গঠন কৰিছে। লগতে মুখ্যমন্ত্ৰীয়ে অবৈধ খনন বন্ধ কৰিবলৈ নিৰ্দেশ দিয়াত আৰক্ষী, প্ৰশাসন ৰেট হোল মাইনিং বন্ধ কৰিবলৈ উঠি-পৰি লাগিছিল। ১৮ জানুৱাৰীৰ পৰা তিনিচুকীয়া জিলাত আৰু ডিমা হাচাওৰ উমৰাংছুত ৰেট হোল মাইনিং বন্ধ কৰিবলৈ অভিযান চলিছিল। কিন্তু ন্যায়ালয়ৰ কঠোৰ নিৰ্দেশৰ পিছতো কয়লাৰ অবৈধ খনন চলি আছিল যদিও চৰকাৰ, প্ৰশাসন আৰু অসম আৰক্ষীয়ে কেতিয়াও ৰেট হোল মাইনিং চলি থকাৰ কথা স্বীকাৰ কৰি লোৱা নাছিল। একাংশ বিৰোধী দল, একাংশ জাতীয় সংগঠনে বাৰে বাৰে অবৈধ কয়লাৰ খনন চলি থকা বুলি দাবী কৰি আহিছিল যদিও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীসকল, বিধায়কসকল আৰু বিজেপিৰ নেতাই কেতিয়াও অবৈধ কয়লাৰ খননৰ চলাৰ কথা স্বীকাৰ কৰা নাছিল। ওলোটাই বিজেপিৰ দিনত অবৈধ কাম-কাজ, চিণ্ডিকেট আদি বন্ধ হোৱা বুলি দাবী কৰি চৰকাৰক বাঃ বাঃ দিছিল। কিন্তু চৰকাৰে যে মিথ্যাচাৰৰ আশ্ৰয় লৈ একাংশ লোকক কয়লাৰ খনন আৰু কয়লৰ অবৈধ চিণ্ডিকেট চলাবলৈ সুযোগ দি কোটি কোটি টকা ঘটিলে তাৰ প্ৰমাণ পোৱা গ'ল ৬ জানুৱাৰীত। ৬ জানুৱাৰীত উমৰাংছুৰ তিল কিলোত এটা সুৰংগত সদৃশ গাতত ৯ শ্ৰমিকে প্ৰাণ হেৰুৱালে। ন্যায়ালয়ৰ নিৰ্দেশ অমান্য কৰি ৰেট হোল মাইনিং কৰা অহাৰ পিছতো জনগণক মিছা প্ৰতিচ্ছৱি এখন দেখুওৱা চৰকাৰক এইবাৰ ৰঙা চকু দেখুৱাইছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ে কেনেকৈ ৰেট হল মাইনিং চলি আছিল তাকে লৈ প্ৰশ্ন কৰিছে ৰাজ্য চৰকাৰক। আৰক্ষীয়ে তিন কিলোৰ শ্ৰমিক আৱদ্ধ ঘটনাৰ সৈতে জড়িত কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰিছে যদিও মুখ্য অভিযুক্তৰ কাষ চাপিবলৈ সাহস কৰা নাই। তাৰ মাজতে গুৱাহাটী উচ্চ ন্যায়ালয়ে ঘটনাত দৃষ্টি নিক্ষেপ কৰি আছিল আৰু আজি নিজাববীয়াকৈ এক গোচৰ ৰুজু কৰি শপতনামা দাখিলৰ নিৰ্দেশ প্ৰদান কৰিছে। উচ্চতম ন্যায়ালয়ে ৰেট হল মাইনিং নিষিদ্ধ কৰি কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰতিখন ৰাজ্য চৰকাৰক কাঢ়া নিৰ্দেশ দিছিল। কিন্তু তাৰ পিছতো অসমত কাৰ্বি আংলং, ডিমা হাচাও, তিনিচুকীয়াত ৰেট হল মাইনিং চলি আছিল। ৬ জানুৱাৰীত উমৰাংছুৰ তিন কিলোত ভয়ংকৰ ঘটনা সংঘটিত হৈছিল। অবৈধ কয়লাখনিত খনন কৰি থকাৰ সময়তে সমীপৰ পানী ভৰি থকা পৰিত্যক্ত গাতৰ পৰা পানী ভৰি আৱদ্ধ হৈছিল বহু শ্ৰমিক। ৭ জানুৱাৰীৰ পৰা আৱদ্ধ শ্ৰমিকক উদ্ধাৰৰ বাবে অভিযান চলিছিল যদিও এই পৰ্যন্ত চাৰি শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হৈছে। চৰকাৰে মুঠ ৯ শ্ৰমিক আৱদ্ধ হোৱা বুলি তথ্য ৰাজহুৱা কৰিছিল যদিও সেনা, এছডিআৰএফ, এনডিআৰএফ ৪ জন শ্ৰমকিককহে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। অবৈধ কয়লাখনিটো ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইৰ আছিল। কিন্তু কণিকা হোজাই আৰু অসম খনিজ উন্নয়নৰ নিগনৰ পৰিচালন সঞ্চালক আনন্দ নটৰাজনৰ বিৰুদ্ধে আজিলৈ গোচৰ ৰুজু হোৱা নাই। কিন্তু উচ্চ ন্যায়ালয়ে গোচৰ ৰুজু কৰাত এইসকল প্ৰভাৱশালী লোক তদন্তৰ আওতালৈ আহিব বুলি আশা ব্যক্ত কৰিছে ৰাইজে। কিন্তু তদন্তৰ গতি কোনফালে বয় সেয়া সময়তহে লক্ষণীয় হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰে'লত আহিছে ম'হ, নাই মালিক!

চিণ্ডিকেট অব্যাহত আছে। চৰকাৰৰ সৈতে জড়িত প্ৰভাৱশালী লোকে ছিণ্ডিকেট চলাই থকাৰ সময়তে এইবাৰ পোহৰলৈ আহিছে ম'হ সৰবৰাহৰ ঘটনা। এইবাৰ অসমলৈ সৰবৰাহ হৈছে উত্তৰ প্ৰদেশৰ ম'হ। ৰে'লৰ দবা ভৰ্তি কৰি উত্তৰ প্ৰদেশৰ পৰা সৰবৰাহ হৈ আহিছে ম'হ। নুনমাটিস্থিত ৰে'লৰে ষ্টেচনত প্ৰায় ৫০০ ম'হৰ উপস্থিতিয়ে বহিঃৰাজ্যৰ ম'হৰ সৰবৰাহৰ তথ্য পোহৰলৈ আনিছে। আজি দিনৰ ভাগত এখন ৰে'লযোগে অনা হৈছে প্ৰায় ৫০০ উত্তৰ প্ৰদেশৰ ম'হ। দিনৰ ভাগৰ পৰা কেইবা ঘণ্টা ধৰি ৰে'লখন নিউ গুৱাহাটী ষ্টেচনৰ বিজি য়াৰ্ডত থিয় কৰি থোৱা হয়। ৰে'লখন ৰখোৱাৰ পিছতে উৎকট গোন্ধ আৰু কিছু অদ্ভুত শব্দ শুনা যায়। তেনেতে দুই এজন লোকে ৰে'লখনৰ দবাসমূহ দেখি আচৰিত হৈ পৰে। প্ৰতিটো দবাতে ৩০ৰ পৰা ৩৫টা ম'হ প্ৰত্যক্ষ কৰে। প্ৰায় ২০টা দবা থকা মালবাহী ৰে'লখনত ৫০০ ম'হ থকাৰ অনুমান কৰা হৈছে। দুই এজন লোকে ৰে'লখনত ম'হ থকাৰ খবৰ সাংবাদমাধ্যমক প্ৰদান কৰে। সংবাদমাধ্যমৰ লোক উপস্থিত হৈ ষ্টেচনত কৰ্মৰত লোকক ৰে'লৰ দবা খুলি দেখুৱাবলৈ কয়। প্ৰথমাৱস্থাত ষ্টেচন কৰ্তৃপক্ষই দবা খুলি দেখুৱাব খোজা নাছিল যদিও পিছত খুলি দেখুৱাবলৈ বাধ্য হয়। সাংবাদিকে দেখে যে দবাত ৩০ৰ পৰা ৩৫টাকৈ ম'হ প্ৰত্যক্ষ কৰে। ম'হৰ তদাৰক কৰিবলৈ ৰে'লত থকা শ্ৰমিকে অফ কেমেৰা উল্লেখ কৰা মতে, ম'হসমূহ ৫ দিন পূৰ্বে উত্তৰ প্ৰদেশৰ ফৰুখাবাদৰ পৰা অনা হৈছে। ম'হসমূহৰ চালান আছে মোছাৰফ নামৰ লোকজনৰ নামত। ৰে'লখনত ম'হৰ খাদ্য মজুত থকাৰ লগতে শ্ৰমিকো আছিল। জানিব পৰা মতে, নিউ গুৱাহাটী ষ্টেচনৰ বিজি য়াৰ্ডত যি ঠাইত মালবাহী ৰে'লসমূহ ৰখাই সেই ঠাইত ৰে'লখন ৰখোৱা নাছিল। ম'হ সৰবৰাহ লোকচক্ষুৰ পৰা আতৰাই ৰাখিবলৈ প্ৰয়াস কৰিছিল। সাংবাদিকৰ উপস্থিতিৰ খবৰ লাভ কৰি ৰে'ল আৰক্ষীৰ এটা বৃহৎ দল উপস্থিত হয়। ৰে'লৰেৰ বিষয়াই ম'হসমূহ চমজি ল'বলৈ গৰাকী আহি নোপোৱাত ৰখাই থোৱা বুলি কয়। নিউ গুৱাহাটী ষ্টেচনৰ বিজি য়াৰ্ডৰ পৰা ম'হকেইটা মেঘালয়লৈ নিয়া হ'ব বুলি অৱগত কৰে। পিএমএছ এণ্টাৰপ্ৰাইজৰ নামত ম'হসমূহৰ কাণত ষ্টিকাৰ লগাই থোৱা আছিল। স'তেত নিউ গুৱাহাটী ষ্টেচনৰ বিজি য়াৰ্ডলৈ আহে চিমেণ্টত ব্যৱহৃত মাল-বস্তু আৰু গাহৰি। কিন্তু এইবাৰ বিজি য়াৰ্ডলৈ অনা হৈছে ম'হ। থলুৱা ম'হ পালকৰ সমস্যা সমাধান কৰিবলৈ গুৰুত্ব দিবলৈ সময় নোহোৱা চৰকাৰে এইবাৰ ৰে'লেৰে বহিঃৰাজ্যৰ ম'হ সৰবৰাহ কৰি থলুৱা ম'হ পালকক পেটে-ভাতে মাৰিব খুজিছে বুলি অভিযোগ উত্থাপিত হৈছে। ৰেলেৰে ম'হ অনাৰ বাতৰি প্ৰচাৰ পোৱাৰ পিছতে ৰাজ্যজুৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিটিআৰত সোমাব নতুন গাঁও

২০২০ চনৰ ২৭ জানুৱাৰীত বিটিআৰ চুক্তি সম্পন্ন হোৱাৰ পিছতে বন্দুক সংস্কৃতিৰ পৰিবৰ্তে যোৱা পাঁচটা বছৰতে বিটিআৰত প্ৰজ্ঞা, কলম আৰু জ্ঞানৰ আন্দোলন হৈছে। এই পৰিবৰ্তন নতুন বিটিআৰ গঠনৰ এক সংকল্প বুলি ধৰিব পাৰি। এই মন্তব্য কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিটিআৰ চুক্তিৰ পঞ্চম বৰ্ষপুতি উপলক্ষে কোকৰাঝাৰৰ গ্ৰীণ ফিল্ডত আজি আয়োজিত হোৱা এক বিশাল মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উক্ত মন্তব্য কৰিছে। নিজৰ উদাত্ত ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে বিগত বৰ্ষ সমুহত আমি বিটিআৰৰ উন্নতিৰ বাবে হাতত হাত ধৰি কাম কৰি আহিছো। যি বড়োলেণ্ড এলেকাত এখনো মেডিকেল কলেজ নাছিল তাত এতিয়া দুখন মেডিকেল কলেজ হ'ল। দুখনকৈ বিশ্ববিদ্যালয় হ'ল, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ চৌহদ ওদালগুৰিত নিৰ্মাণ কৰা হ'ব। অকল ইমানেই নহয় বিটিআৰত বৰ্তমানলৈকে ২০০০ কিলোমিটাৰ পকীপথ নিৰ্মাণ কৰা হৈছে আৰু অনাগত সময়ছোৱাত ৪০০০ কিলোমিটাৰ পকীপথ নিৰ্মান কৰা হ'ব আৰু গুডউইল মিচনৰ অধীনত ৪০০ কোটি টকা বিটিআৰক দিয়া হ'ব। কোকৰাঝাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধীকিকৰণ কেন্দ্ৰটো ১২৫ কোটি টকা ব্যয়সাপেক্ষে অত্যাধুনিক ৰূপত গঢ় দিয়া হ'ব বুলি মন্তব্য কৰি হিমন্ত বিশ্ব শৰ্মাই বিটিআৰত ২০০৬ চনৰ আশেপাশে স্থাপন হোৱা মহাবিদ্যালয়, বিদ্যালয়সমুহ প্ৰাদেশীকৰণ কৰা হ'ব বুলি ঘোষণা কৰিছে। ইয়াৰোপৰি বিটিআৰ চুক্তিৰ দফা হিচাপে শোণিতপুৰ আৰু বিশ্বনাথৰ কেবাখনো গাঁও বিটিআৰত অন্তৰ্ভুক্ত হ'ব বুলি ঘোষণা কৰিছে হিমন্ত বিশ্ব শৰ্মাই। ইয়াৰোপৰি নিজ ভাষণত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, ভুটানৰ গেলেংফুত "মাইনফুলনেছ চিটি" নিৰ্মাণ হোৱাৰ পিছতে অঞ্চলটোলৈ সাংঘাতিক এক পৰিৰৱৰ্তন আহিব আৰু সেয়েহে চিৰাং জিলাৰ মাজেৰে ভূটানৰ গেলেংফুলৈ ৰে'ল পথ নিৰ্মান কৰা হ'ব। বৰ্তমানলৈকে ৪২০৩ গৰাকী প্ৰাক্তন এনডিএফবিক পুণৰসংস্থাপন দিয়া হৈছে আৰু ৬৩২ গৰাকী প্ৰাক্তন এনডিএফবিক আৰ্থিক সাহাৰ্য দিয়া হৈছে বুলি মন্তব্য কৰিছে হিমন্ত বিশ্ব শৰ্মাই। বিটিআৰ চুক্তিৰ প্ৰতিটো দফা ৰূপায়নৰ বাবে চৰকাৰ দায়বদ্ধ আৰু সংবিধানৰ ১২৫ তম সংশোধনী হলে ষষ্ঠ অনুসূচী সমুহ শক্তিশালী হ'ব আৰু অহা ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰত অনুষ্ঠিত হ'বলগীয়া বিধানসভাৰ অধিবেশনত ষষ্ঠ অনুসূচীসমুহ কেনেদৰে শক্তিশালী কৰিব পাৰি তাৰেই আলোচনা সম্পন্ন হ'ব বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিটিআৰত কিমানবাৰ আহিছো তাৰ লেখজোখ নাই বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিটিআৰ চুক্তিয়ে তিনিদশকৰ অশান্তি আতৰাই শান্তি ঘূৰাই আনিলে বুলি মন্তব্য কৰি ইয়াৰ বাবে প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰাৰ উপৰিও এবছু, প্ৰাক্তন এনডিএফবি, বড়ো সাহিত্য সভা আদিকে ধৰি বিটিআৰ চুক্তিত অংশগ্ৰহকাৰী সকলো পক্ষলৈ ধন্যবাদ জ্ঞাপন কৰে। ইপিনে বিটিআৰ চুক্তিৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে কোকৰাঝাৰৰ গ্ৰীণ ফিল্ডত অনুষ্ঠিত হোৱা মুকলি সভাত নিজ ভাষণত প্ৰমোদ বড়োৱে বিটিআৰ চুক্তি সম্পাদন কৰা বাবে প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছে। নিজ ভাষণত প্ৰমোদ বড়োৱে কয় যে বিটিআৰ চুক্তি সম্পাদন হোৱা পিছতে যোৱা পাঁচটা বছৰত কোনোধৰণৰ হত্যা- হিংসা সংঘটিত হোৱা নাই। কোনো মাতৃ, ভগ্নীয়ে চকুপানী টুকিব লগা হোৱা নাই। এই পৰিবৰ্তন আমাৰ বাবে ইতিবাচক বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে কয় যে স্বাধীনতাৰ পিছত যি কাম সমাধা হোৱা নাছিল সেয়া যোৱা চাৰিটা বৰ্যতে সমাপন হ'ল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলো জাতি-জনগোষ্ঠীকে ন্যায় প্ৰদান কৰি বিটিআৰ চুক্তি সম্পন্ন হোৱাত সহায় কৰিছিল বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে অঞ্চলটোত যুগান্তকাৰী পৰিবৰ্তন অহা বাবে সকলোপক্ষই ধন্যবাদ জনাই এই স্থিতিৰস্থা বাহাল ৰাখিবলৈ সকলোৱে প্ৰতি আহ্বান জনাইছে। মুখ্যমন্ত্ৰীৰ ভিচন আৰু মিচন সফল হ'ব বুলি মন্তব্য কৰি বিটিআৰত বৰ্তমান ভূমিৰ সমস্যা সমাধান হোৱাটো উল্লেখনীয় দিশ বুলি মন্তব্য কৰিছে প্ৰমোদ বড়োৱে। ইপিনে বিটিআৰ চুক্তি দিৱসৰ সতে সংগতি ৰাখি আয়োজন কৰা বিশাল জনসভাৰ পূৰ্বে বিটিচিৰ কাৰ্যবাহী সদস্য আৰু পৰিষদীয় সদস্য সকলৰ বাবে হৰিণাগুৰিত বিটিচি পৰিষদীয় চৰকাৰে নিৰ্মাণ কৰি উলিওৱা পঞ্চম মহলীয়া চৰকাৰী আৱাস গৃহ দুটা আনুষ্ঠানিক ভাৱে শুভ উন্মোচন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিটিচিৰ কাৰ্যবাহী সদস্য আৰু পৰিষদীয় সদস্য সকলৰ বাবে ১০০ কোটি টকা ব্যয় সাপেক্ষে নৱনিৰ্মিত আৱাসগৃহ আনুষ্ঠানিকভাৱে মুকলি কৰি সংবাদ মাধ্যমৰ আগত হিমন্ত বিশ্ব শৰ্মাই কয় যে বিটিচি সচিবালয় নিৰ্মাণ হোৱাৰ পিছত কাৰ্যবাহী সদস্য আৰু পাৰিষদ সকলৰ আৱাস গৃহ নিৰ্মাণ নোহোৱাৰ বাবে তেওঁলোকে বহুতে ভাড়াঘৰত হোটেলত থকাৰ লগতে কিছুসংখ্যকে ঘৰৰপৰা অহা যোৱা কৰিছিল। যাৰ ফলত তেওঁলোকৰ নিজৰ মাজত সমন্বয়ৰ অভাৱ হোৱাৰ লগতে সমষ্টিৰ জনগণে সাক্ষাৎ কৰাত অসুবিধা ভোগ কৰি আহিছিল। তদুপৰি কাৰ্যবাহী সদস্য আৰু পাৰিষদ সকল বহু দূৰ দূৰণিৰ পৰা আহি উপস্থিত হোৱাটোও কষ্টকৰ বুলি বিবেচিত হৈছিল। নৱনিৰ্মিত বহুমহলীয়া আৱাসগৃহ মুকলি হোৱাৰ পিছত আজি বহুদিনীয়া অভাৱ এটা পূৰণ হ'ল বুলি মন্তব্য কৰিছে হিমন্ত বিশ্ব শৰ্মাই। প্ৰণিধানযোগ্য যে কাৰ্যবাহী সদস্য আৰু পাৰিষদ সকলৰ আৱাস গৃহ মুকলি অনুষ্ঠানৰ পিছতে হৰিণাগুৰিতে স্থাপন হ'বলগীয়া কোকৰাঝাৰ বিশ্ববিদ্যালয়ৰ আধাৰশীলা বিভিন্ন মাংগলিক অনুষ্ঠানৰ মাজেৰে স্থাপন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজিৰ অনুষ্ঠানসমুহত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, দুই সাংসদ ক্ৰমে ৰৌণগৌৰা নাৰ্জাৰী আৰু জয়ন্ত বসুমতাৰী, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৪ সাহিত্যিকলৈ সাহিত্যাচাৰ্য সন্মান

বাবে অসম সাহিত্য সভাই কেবাগৰাকী সাহিত্যিকলৈ সৰ্বোচ্চ সন্মান সাহিত্যাচাৰ্য প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। এই অনুযায়ী বিশিষ্ট সাহিত্যিক ড° কৰবী ডেকা হাজৰীকা, ইদ্ৰিছ আলী, ভাষাবিদ ড° ভীমকান্ত বৰুৱা আৰু সমালোচক ড° আনন্দ বৰমুদৈলৈ আগবঢ়োৱা হৈছে এই সন্মান। অসমৰ ভাষা-সাহিত্য তথা জাতীয় জীৱনলৈ আগবঢ়োৱা তেওঁলোকৰ অনবদ্য অৱদানৰ বাবে সভাই এই সকল পুৰোধা ব্যক্তিলৈ উক্ত সন্মান প্ৰদান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। সাহিত্য সভাৰ তৰফৰ পৰা জনোৱা মতে, অহা ৩০ জানুৱাৰীৰ পুৱা ১১ বজাত অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্য্যালয়ৰ লক্ষ্মীৰাম বৰুৱা ভৱনত অনুষ্ঠিত হ'বলগীয়া এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই সন্মান প্ৰদান কৰা হ'ব। উল্লেখ্য যে, উক্ত অনুষ্ঠানতে প্ৰাচ্যতত্ববিদ থানেশ্বৰ শৰ্মা আৰু মহেশ্বৰ হাজৰিকাক সদস্য মহীয়ান সন্মানৰ লগতে বিশিষ্ট কবি আনিছ উজ জামানক জাতীয় কবি উপাধিৰে সন্মানিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে অসম সাহিত্য সভাই।

# পেঙেৰীৰ পেট্ৰোল ডিপোত নিশা ডকাইতি, এটা ডকাইত জালত

**ই সংবাদ, মাৰ্ঘেৰিটা, ২৮ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ পেঙেৰীস্থিত মা পেট্ৰ' এজেঞ্চি নামৰ পেট্ৰল ডিপোত সোমবাৰে নিশা সংঘটিত হয় ডকাইতিৰ ঘটনা। লুটি নিয়ে প্ৰায় লক্ষাধিক টকা। তথ্য অনুসৰি নিশা এটি পাঁচজনীয়া ডকাইতৰ দলে পেঙেৰীৰ মা পেট্ৰ' এজেঞ্চি ডিপোত প্ৰৱেশ কৰি কৰ্মচাৰীক পিস্তল, তৰোৱাল দেখুৱাই লুটি নিয়ে লক্ষাধিক টকা। টকাৰ লগতে পেট্ৰল ডিপোটোৰ চিচি টিভি কেমেৰাও ডকাইতৰ দলটোৱে লৈ যায়। ডিপোৰ কৰ্মচাৰীৰ পৰা ডকাইতৰ দলটোৱে ম'বাইল পযন্ত কাঢ়ি লৈ যায়। পেঙেৰী আৰক্ষীয়ে নিশাই উক্ত ডকাইতিৰ ঘটনা লগত জড়িত এজনক আটক কৰিছে। আটকাধীন ডকাইতটো মাকুম বাৰেকুৰি আৰক্ষী থানাৰ অন্তৰ্গত মতাপুং গাৱঁৰ পল্লৱ চেতিয়া (২৬) বুলি জানিব পৰা গৈছে। আনহাতে ডকাইতিৰ লগত জড়িত আন চাৰিজন পলাতক হৈ আছে। আৰক্ষীয়ে ডকাইতিত ব্যৱহৃত এএছ ২৩ ৰাই ৯০১৯ নম্বৰৰ বাহনো এখনো জব্দ কৰিছে। আন চাৰি ডকাইতৰ সন্ধান আৰম্ভ কৰিছে আৰক্ষীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গাহৰি পালকৰ চৰকাৰক সকিয়নী

গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰি বিদেশী কোম্পানীক গাহৰি পালনৰ ক্ষেত্ৰখন আৰু বজাৰ গতাই দিব খোজা কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছে। সদৌ অসম গাহৰি পালক সন্থাই গাহৰি আমাৰ আৱেগ আৰু স্বাভিমান বুলি দোহাৰি কেতিয়াও অসমত গাহৰি পালন আৰু গাহৰিৰ বজাৰ থাইলেণ্ডৰ কোম্পানীক গতাই দিব নোৱাৰিব বুলি স্পষ্ট কৰে। আন এক গুৰুতৰ অভিযোগ উত্থাপন কৰি বিদেশী বণিয়াক গাহৰি পালনৰ ক্ষেত্ৰখন গতাবলৈ পশুপালন বিভাগটো অতুল বৰাৰ হাতৰ পৰা কাঢ়ি নি কৃষ্ণেন্দু পালক দিয়া হৈছে বুলি দাবী কৰিছে। সদৌ অসম গাহৰি পালক সন্থাৰ সাধাৰণ সম্পাদক ভাৰত সন্দিকৈ, মুখ্য উপদেষ্টা প্ৰণৱ বৰগোহাঁই, কোষাধ্যক্ষ পদুম গিৰি, মুখপাত্ৰ বিতুপন গগৈয়ে সংবাদমেল সম্বোধন কৰি থলুৱাৰ হাতত থকা গাহৰি পালন ব্যৱস্থা বিদেশী বণিয়াক গতাব খোজাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। যদি চৰকাৰে পুঁজিপতিক গাহৰি পালনৰ ক্ষেত্ৰ গতাব খোজাৰ সিদ্ধান্ত সলনি নকৰে তেন্তে ৩১ জানুৱাৰীৰ পিছত থলুৱা গাহৰি পালকসকল ৰাজপথত নামিবলৈ সাজু বুলি হুংকাৰ দিয়ে। ৩১ জানুৱাৰীৰ পূৰ্বে ৰাজ্য চৰকাৰে থাইলেণ্ডৰ ব্যৱসায়ী গোষ্ঠীক গাহৰি পালন আৰু ব্যৱসায় গতাই দিয়াৰ যি সিদ্ধান্ত লৈছে, সেই সিদ্ধান্ত বাতিল নকৰিলে ৩১ জানুৱাৰীৰ পৰা ৰাজ্যৰ প্ৰতিখন গাঁৱত প্ৰতিবাদ সাব্যস্ত কৰাৰ ঘোষণা কৰিছে। সদৌ অসম গাহৰি পালক সন্থাৰ সাধাৰণ সম্পাদক ভাৰত সন্দিকৈয়ে অসম চৰকাৰে কেতিয়াও থলুৱা গাহৰি পালকক সহায় নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। ভাৰত সন্দিকৈয়ে কয় যে অসমৰ গাহৰি পালন আৰু ব্যৱসায় শ-শ থলুৱাৰ জীৱন নিৰ্বাহৰ সম্বল বুলি দাবী কৰে। শ-শ যুৱক-যুৱতীয়ে গাহৰি পালনৰ দ্বাৰা স্বাৱলম্বী হৈছে। পালকসকলৰ বিভিন্ন সমস্যা আছে। সমস্যাসমূহৰ কথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা তথা চৰকাৰক অৱগত কৰি অহা হৈছে। স্বনিয়োজনৰ সম্ভাৱনা থকা এই ব্যৱসায়ক চৰকাৰৰ পশুপালন বিভাগে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি আক্ষেপ কৰে। থলুৱা গাহৰি ব্যৱসায়ী, পালকৰ বাবে আজি একো চিন্তা নকৰিলে। এনে সময়ত থলুৱাৰ গাহৰি ব্যৱসায় বহিৰাগতক গটাই দিয়াৰ কূট-কৌশল ৰচনা কৰা হৈছে। থাইলেণ্ডৰ পুঁজিপতি গোষ্ঠীক গটাব খুজিছে। গাহৰি ব্যৱসায় গটাবৰ বাবেই অতুল বৰাৰ পৰা পশুপালন বিভাগটো কাঢ়ি নি অনা-অসমীয়া কৃষ্ণেন্দু পালক দিয়া হৈছে। পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পালে থাইলেণ্ডলৈ গৈ হঠকাৰী সিদ্ধান্ত লৈছে। অসমৰ গাহৰিৰ বজাৰ থাইলেণ্ডৰ কোম্পানীক গটাই দিব খুজিছে। এই ব্যৱসায়ত ১০ লাখ গাহৰি পালক-ব্যৱসায়ীৰ জীৱন-জীৱিকাৰ কথা জড়িত হৈ আছে। যিখন চুক্তি কৰিছে সেই চুক্তি যদি ৩১ জানুৱাৰীৰ ভিতৰত বাতিল নকৰে তেন্তে অসমৰ প্ৰান্তে প্ৰান্তে আন্দোলন কৰা হ'ব। যদি আন্দোলন কৰিব নালাগে তেন্তে এই চুক্তি আৰু থাইলেণ্ডৰ কোম্পানীক গাহৰিৰ ব্যৱসায় গতাই দিয়া বন্ধ কৰক- কয় ভাৰত সন্দিকৈয়ে। ইপিনে সংবাদমেলত উপস্থিত থকা মুখ্য উপদেষ্টা প্ৰণৱ বৰগোহাঁই সমগ্ৰ অসমবাসীক অন্ধকাৰত ৰাখি ব্যৱসায় গতোৱাৰ ব্যৱস্থা কৰা বুলি গুৰুতৰ অভিযোগ আনে। আমি পূৰ্বে ব্যৱসায় সন্থাৰ দাবী সমূহ উত্থাপন কৰি আহিছো। কিন্তু ব্যৱসায় সন্থাৰ দাবীসমূহ মানি লোৱা নাই। ইপিনে দাবী মানি নোলোৱা চৰকাৰখনে এই ব্যৱসায়টোকে বিদেশী কোম্পানীক গতাব খুজিছে। এই ব্যৱসায়ক আজি অজগৰ সাপে যেনেকৈ গ্ৰাস কৰে তেনেকৈ গ্ৰাস কৰিব ধৰিছে। ব্ৰইলাৰৰ ব্যৱসায়টো যেনেকৈ বহিৰাগত ব্যৱসায়ীক গতাই দিয়া হৈছে তেনেকৈ ব্ৰইলাৰৰ ব্যৱসায় বহিৰাগতক গতাব খুজিছে। থলুৱা মানুহৰ জীয়াই থকাৰ যি সম্বল সেই সম্বল ধ্বংস কৰিব খুজিছে। প্ৰণৱ বৰগোহাঁয়ে এটা কথা স্পষ্ট কৰি কয় যে যে আমি এডভান্টেজ আসামৰ বিৰোধ নকৰো। চৰকাৰে বিদেশী বিনিয়োগ আনক। নিবনুৱাৰ সংস্থাপন মুকলি হ'ব। কিন্তু ৰাজ্যৰ লাক লাক থলুৱা লোকৰ আহোম, তিৱা, কাৰ্বি, ৰাভা, কোঁচ, ডিমাচা, সোণোৱা কছাৰীসকলে জন্ম-জন্মান্তৰৰ পৰা গাহৰি পালনৰ সৈতে জড়িত হৈ আছে। সকলো সামাজিক, সাংস্কৃতিক, ধৰ্মীয় অনুষ্ঠানত গাহৰি ব্যৱহাৰ হয়। গাহৰি অপৰিহাৰ্য অংগ। থলুৱা লোক জড়িত ক্ষেত্ৰখনত তেওঁলোক বিদেশী বিনিয়োগ কৰিবলৈ বিচাৰি পালে। গাহৰি পালনৰ সৈতে জড়িত ৯০ শতাংশ হিন্দু ধৰ্মাৱলম্বী। হিন্দুত্বৰ শ্ল'গান দিয়া, হিন্দুত্বৰ কথা কোৱা, বিশ্বগুৰু বুলি নিজকে জাহিৰ কৰা চৰকাৰখনে গাহৰি পালনৰ সৈতে জড়িত হিন্দুক ভাতে মৰাৰ ষড়যন্ত্ৰ কৰিছে। এয়া স্পষ্ট থলুৱা বিৰোধী। চৰকাৰে স্পষ্ট কৰক। তেওঁলোক হিন্দুত্বৰ সৈতে আছে নে বিদেশী বণিয়াৰ সৈতে আছে। যদি চৰকাৰে ভাবিছে আমাৰ বিষয়বোৰক উলাই কৰি ইচ্ছু ডাইভাৰ্ট কৰি চলি যাম। তেন্তে চৰকাৰে ভুল ভাবি আছে। এতিয়ালৈকে যিসমূহ প্ৰতিবাদী কাৰ্যসূচী লৈছো সেয়া এক আভাসহে আছিল। অনাগত দিনত আমাৰ প্ৰতিবাদী কাৰ্যসূচী জনগণৰ মাজলৈ লৈ যাম। এইখন চৰকাৰৰ যি জনগণ বিৰোধী সিদ্ধান্ত এই সিদ্ধান্তৰ বিৰুদ্ধে অসমৰ প্ৰতিখন গাঁৱত প্ৰতিবাদ সাব্যস্ত কৰাৰ কথা ঘোষণা কৰে সদৌ অসম গাহৰি পালক সন্থাই।

# নগাঁৱৰ কাছমাৰীত 'কাঁচিয়লি'ৰ শিশুনাট সমাৰোহ

**ই-সংবাদ, বেবেজীয়া, ২৮ জানুৱাৰীঃ** নগাঁও জিলাৰ কাছমাৰী মৌজাৰ বৰাগাঁৱৰ পথাৰত দিনযোৰাকৈ ব্যতিক্ৰমী চিন্তাৰে অনুষ্ঠিত হয় 'কাঁচিয়লি'ৰ শিশুনাট সমাৰোহ। দ্বিতীয়টো বৰ্ষৰ বাবে মুকলি পথাৰৰ চহা গ্ৰাম্য পৰিৱেশত অনুষ্ঠিত হয় এই নাট সমাৰোহ। এই নাট সমাৰোহত বাঁহ আৰু নৰাৰে নিৰ্মিত সু-সজ্জিত এটি আটকধুনীয়া মঞ্চত কৃত্ৰিম পোহৰ আৰু শব্দযন্ত্ৰ অবিহনে প্ৰদৰ্শিত হয় পাঁচখনকৈ শিশুনাট। নাট প্ৰদৰ্শনৰ পূৰ্বে নাট্যশিল্পী প্ৰশান্ত শৰ্মা আৰু মনোজ কুমাৰ বৰদলৈয়ে বন্তি প্ৰজ্বলন কৰা এই অনুষ্ঠানত 'কাঁচিয়লি'ৰ পত্ৰিকা উন্মোচন কৰে বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিঙে। দিনৰ ১১ বজাৰ পৰা আৰম্ভ হোৱা এই শিশুনাট সমাৰোহ উদ্বোধন কৰে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাপ্ৰাপ্ত পৰিচালক প্ৰবীন হাজৰিকাই। সাংবাদিক, নাট সমালোচক জ্যোতিপ্ৰসাদ বৰাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা এই অনুষ্ঠানটিতে শংকৰী কলা-কৃষ্টিৰ একনিষ্ঠ সাধক, প্ৰচাৰ বিমুখ শিল্পী প্ৰদীপ বৰাক গুণাৰাম লস্কৰ সোঁৱৰণি 'কাঁচিয়লি বঁটা'-২০২৬ প্ৰদান



কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জ্যোতিপ্ৰসাদ বৰাই ৰচনা কৰা 'কাঁচিয়লি'ৰ শীৰ্ষ গীত 'কাঁচিয়লি উল্লাসৰ অন্য এক নাম' সমস্বৰে পাঠ কৰে অৰ্ধ শতাধিক শিশুৱে। এই শিশুনাট সমাৰোহত প্ৰথমেই পৰিৱেশন কৰা হয় 'ৰসাতল গমন' নামৰ নাটখন। কাঁচিয়লি নাট্যগোষ্ঠীৰ দ্বাৰা নিবেদিত এই নাটখনৰ নাট্যকাৰ-পৰিচালক হৈছে দীপু বৰা। ইয়াৰ পিছতে মঞ্চস্থ হয় শেনচোৱাৰ সাত্বিক নাট্যগোষ্ঠীৰ 'দৰিকণা মই' নামৰ নাটখন। অম্লান দ্বীপ শইকীয়াৰ এই নাটখনৰ পৰিচালক আছিল ঈপ্সিতা দাস। এই নাটখনৰ পিছতেই জামুগুৰিৰ জংগম গোষ্ঠীয়ে নিবেদন কৰে 'ভাওনা নহয় ভাওনা' নামৰ নাটখন। এই নাটখনৰ নাট্যকাৰ আৰু পৰিচালক আছিল ভুৱন চন্দ্ৰ নাথ। সহযোগী পৰিচালক আছিল পংকজ নাথ। 'কাঁচিয়লি'ৰ শিশুনাট সমাৰোহত নিবেদিত চতুৰ্থখন নাট হৈছে নগাঁৱৰ নৰৰূপ জাতীয় বিদ্যাপীঠৰ 'কুৰুক্ষেত্ৰত খেলিমেলি'। নাটখনৰ নাট্যকাৰ হৈছে নিতুল ভূঞা আৰু পৰিচালনা শোণিত কুমাৰ বৰা। পৰিশেষত ভৱজিৎ কুমাৰ শইকীয়াৰ ৰচনা আৰু পৰিচালনাত অসম নাট্য সন্মিলনৰ কাঁচিয়লি শাখাই মঞ্চস্থ কৰে 'দ্য বাছ ষ্টপ' নামৰ নাটখন। তিনি শতাধিক নাট্যপ্ৰেমী উপস্থিত থকা এই অনুষ্ঠানটিৰ শেষত সকলোৱে সন্মিলিতভাৱে পথাৰৰ মাজতে কলগছৰ বখুৰাত মাটিমাহৰ দাইল আৰু খাৰেৰে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি এক সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰে।

# প্ৰাক্তন বিধায়ক, সুলেখক দিলীপ মৰাণৰ বদান্যতা, স্কুলে স্কুলে কিতাপ বিতৰণ



**ই-সংবাদ, ডুমডুমা, ২৮ জানুৱাৰীঃ** ১২৫ নং ডুমডুমা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক, বিশিষ্ট সমাজকৰ্মী, প্ৰতিষ্ঠিত ব্যৱসায়ী, একালৰ শিক্ষক, সুলেখক দিলীপ মৰাণৰ বদান্যতা। এটা অতি সাধাৰণ ঘৰ তথা পৰিয়ালৰ পৰা ওলাই অহা উচ্চ শিক্ষিত ব্যক্তি দিলীপ মৰাণে প্ৰথমে এখন ভেঞ্চাৰ স্কুলত শিক্ষকতা (অবৈতনিক)ৰ পাছত এদিন এগৰাককী প্ৰতিষ্ঠিত ব্যৱসায়ীৰূপে নিজকে আত্মপ্ৰকাশ ঘটালে। তাৰ পাছত আৰম্ভ হ'ল ৰাজনীতি জীৱন। ২০১১ চনত ৰাজ্যৰ ৰাজনীতিত একপ্ৰকাৰ ইতিহাস সৃষ্টি কৰি প্ৰথমবাৰৰ বাবে বিজেপি দলৰ প্ৰাৰ্থীৰূপে ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক নিৰ্বাচিত হয়। এতিয়া তেওঁ বিজেপি দলত নাই, সেয়া কবলৈ গ'লে বহু কথা। দলত এলাগী হৈ দলত্যাগ কৰিলেও এইগৰাকী দিলীপ মৰাণে ৰাজনৈতিকভাৱে কিছু বিৰতি বা চেগা-চোৰোকা ৰাজনীতি আৰু ইয়াৰ মাজে মাজে সাহিত্য চৰ্চাৰে শেহতীয়াকৈ নিজকে এক অনন্য ৰূপত প্ৰতিষ্ঠা কৰাত আত্মনিয়োগ কৰা পৰিলক্ষিত হৈছে। সাহিত্য চৰ্চাৰ সমান্তৰালকৈ নহয় তেওঁ ইতিমধ্যে চাৰিখনকৈ সৰু-বৰ গ্ৰন্থও প্ৰকাশ কৰি ৰাইজৰ হাতত তুলি দিছে । কেইমাহমানৰ আগতে তেওঁ প্ৰকাশ কৰি উলিয়াইছিল " Life is nothing, memory is everything " শীৰ্ষক গ্ৰন্থ । ইয়াৰ পাছত বিশেষকৈ মধ্য ইংৰাজী আৰু উচ্চ ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ইংৰাজী ভাষা আয়ত্ত কৰাৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ অতি শেহতীয়াকৈ প্ৰকাশ কৰি উলিয়াইছে " How to speak English " নামৰ এখনি ইংৰাজী ভাষাৰ ব্যাকৰণৰ প্ৰয়োজনীয় হাতপুথি । তেওঁ এই পুথিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সম্পূৰ্ণ বিনামূলীয়াকৈ স্কুলে-স্কুলে নিজে গৈ বিতৰণৰ এটি ধাৰাবাহিক কাৰ্যসূচী গ্ৰহণ কৰিছে। লেখক-সাহিত্যিক দিলীপ মৰাণে কালি এজন সহযোগী টংকেশ্বৰ মৰাণৰ সৈতে কৰ্দৈগুৰি মধ্য-উচ্চ ইংৰাজী বালিকা বিদ্যালয়লৈ গৈ প্ৰত্যেককে একোখনকৈ উক্ত হাত-পুথি বিনামূলীয়াকৈ বিতৰণ কৰাৰ উপৰিও বিদ্যালয়খনৰ পুথিভঁৰাললৈও বিশখন কিতাপ আগবঢ়ায়। উল্লেখ্য যে, তেওঁ ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ ৰাইজৰ স্বাস্থ্য সজাগতাৰ বাবে আন এখন গ্ৰন্থ " Health is Wealth " অচিৰেই প্ৰকাশ কৰি ৰাইজৰ হাতলৈ আগবঢ়াব বুলিও জানিবলৈ দিয়ে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ মৰাণ আৰু সহকাৰী শিক্ষক বলীন মৰাণে দিলীপ মৰাণৰ এই প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰাৰ লগতে নিজৰ গাঁঠিৰ ধন খৰচ কৰি এনেকৈ বিদ্যালয়ে বিদ্যালয়ে গৈ বিনামূলীয়াভাৱে এনেদৰে শিক্ষামূলক গ্ৰন্থ বিতৰণ কৰা কাৰ্য বাস্তৱত বিৰল আখ্যা দি তেখেতক কৃতজ্ঞতা জ্ঞাপন কৰে। ৰাইজেও দিলীপ মৰাণৰ এনে বদান্যতাক ভূয়সী প্ৰশংসা কৰিছে।

# লোহাৰঘাটত জাতীয় শ্বহীদ দিৱস পালন ৰাভা ছাত্ৰ সন্থাৰ

**ই-সংবাদ, মিৰ্জা, ২৮ জানুৱাৰীঃ** ২০১১ চনত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় এলেকাত গোষ্ঠী সংঘৰ্ষ চলি আছিল। ৰাভা আৰু গাৰো এই জনগোষ্ঠী দুটাৰ মাজত সংঘটিত সংঘৰ্ষত বিশেষকৈ ৰাভাসকলে বহু হেৰুৱাবলগীয়া হৈছিল। গোষ্ঠী সংঘৰ্ষৰ বলি হোৱা পৰিয়ালসমূহ আশ্ৰয় শিৱিৰত থাকিবলগীয়া হৈছিল। গোৱালপাৰা জিলাৰ কুকুৰকাটাত থকা আশ্ৰয় শিৱিৰত দুৰ্গত লোকসকলক সাহায্য প্ৰদান কৰিবলৈ গৈছিল দক্ষিণ কামৰূপৰ লোহাৰঘাটৰ বৰদুৱাৰ-ভোলাগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ এটি দল। সাহায্য প্ৰদানকাৰী দলটোৱে শিৱিৰৰ পৰা ঘৰলৈ উভতিবলৈ লৈছিল। কিন্তু ঘৰলৈ উভতি অহাৰ পথত জিলাখনৰ পাইকান অঞ্চলৰ এক জনশূন্য এলেকাত অচিনাক্ত দুৰ্বৃত্তই সাহায্য প্ৰদানকাৰী দলটোৰ ওপৰত ভয়াৱহ আক্ৰমণ চলায়। ২০১১ চনৰ ৯ জানুৱাৰীত সংঘটিত ঘটনাটোত সাহায্য প্ৰদানকাৰী দলটোৰ কিছু সদস্য কোনোমতে প্ৰাণটো বচাবলৈ সক্ষম হয় যদিও জয়ন্ত ৰাভা, মোহন ৰাভা, ঈশ্বৰ ৰাভা আৰু উপেন ৰাভাৰ (সোগৰ পৰন) প্ৰাণ ৰক্ষা নপৰিল। উক্ত বৰ্ষৰ ২৭ জানুৱাৰীত পাইকানতে তিনিজন সদস্যৰ মৃতদেহ উদ্ধাৰ হৈছিল যদিও উপেন ৰাভা আজিপৰ্যন্ত নিঁখোজ হৈয়েই থাকিল। উক্ত দিনটোত লোহাৰঘাটৰ মেমবস্তিত চাৰিওজন সদস্যক জাতীয় শ্বহীদ ঘোষণা কৰাৰ লগতে উদ্ধাৰ হোৱা তিনিওগৰাকীৰ শৱদেহ সমূহীয়াভাৱে সৎকাৰ কৰা হৈছিল। তেওঁলোকৰ স্মৃতিত প্ৰতিটো বৰ্ষৰ ২৭ জানুৱাৰীৰ দিনটো আঞ্চলিক ৰাভা জাতীয় শ্বহীদ দিৱস ৰূপে পালন কৰি অহা হৈছে। সেই উপলক্ষে কালি দক্ষিণ কামৰূপৰ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় এলেকাৰ লোহাৰঘাটত ৰদুৱাৰ-ভোলাগাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত চতুৰ্দশ বাৰ্ষিক 'আঞ্চলিক ৰাভা জাতীয় শ্বহীদ দিৱস'ৰ আয়োজন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা মেমবস্তিৰ সমাধি ক্ষেত্ৰত পুষ্পাঞ্জলি প্ৰদান কৰা হয়। তাৰপিছত লোহাৰঘাটস্থিত ছাত্ৰ সংগঠনটোৰ মুখ্য কাৰ্যালয়ৰ শ্বহীদ বেদীত পুষ্পাঞ্জলি প্ৰদান কৰাৰ পিছত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। উক্ত দিনটোৰ সোৱৰণিৰে প্ৰকাশ কৰি উলিওৱা 'স্মৰণিকা' উন্মোচন কৰে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মতিলাল বাকচুক আৰু প্ৰাচীৰ পত্ৰিকা 'কুঁহিপাত' উন্মোচন কৰে ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি দশানন ৰাভাই। উক্ত দিনৰ সৈতে সংগতি ৰাখি কুইজ, চিত্ৰাংকন আৰু ভলীব'ল প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। আজিৰ অনুষ্ঠানত ষষ্ঠ অনুসূচী দাবী সমিতিৰ সম্পাদক মনোজ ৰাভা, নিখিল ৰাভা ছাত্ৰ সন্থাৰ সহকৰী সম্পাদক দেবানন ৰাভা, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ৰশ্মিবালা ৰাভা আদি কৰি ভিন্ন দল-সংগঠনে অংশ গ্ৰহণ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক ।

# 'সুৰবাহিনী'ৰ তৃতীয় প্ৰীতিমিলন সমাৰোহ

**ই-সংবাদ, মিৰ্জা, ২৮ জানুৱাৰীঃ** বিশ্ব সংগীতৰ বিশাল মঞ্চ হ'ল অতি উন্নত প্ৰযুক্তি সম্পন্ন 'ষ্টাৰমেকাৰ' এপ। এই ষ্টাৰমেকাৰ জগততেই বিগত ১ আগষ্ট' ২০২১ ৰ দিনা সুগায়িকা তথা অভিনেত্ৰী ৰুবী ভৰদ্বাজে কেইগৰাকীমান শিল্পীপ্ৰাণ ব্যক্তিৰ সহযোগত 'সুৰবাহিনী' নামেৰে এটি পৰিয়াল গঠন কৰে। অধিনায়িকাগৰাকীৰ নেৰানেপেৰা প্ৰচেষ্টাত বৰ্তমান ই বৃহৎ পৰিয়াললৈ ৰূপান্তৰিত হৈছে। যোৱা ২৫ জানুৱাৰীৰ দিনা পৰিয়ালৰ তৃতীয় প্ৰীতিমিলন সমাৰোহৰ আয়োজন কৰা হয় গণেশগুৰিৰ ডি কৰ্টিয়াৰ্ড হোটেলৰ সন্মিলনী কক্ষত। সৰস্বতী বন্দনা, বন্তি প্ৰজ্বলনৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰা হয়। নিমন্ত্ৰিত কণ্ঠশিল্পীত্ৰয় জে পি দাস, দ্বীপেন বৰুৱা আৰু নমিতা ভট্টাচাৰ্যৰ অংশগ্ৰহণ আৰু তেওঁলোকৰ জনপ্ৰিয় গীতসমূহৰ পৰিৱেশনে অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। আনহাতে, নিমন্ত্ৰিত প্ৰখ্যাত ঢোলবাদক দেৱেশ্বৰ



শইকীয়াৰ বিহু ঢোলৰ চেৰে সকলোৰে দেহ-মন ৰঙীয়াল কৰে। পৰিয়ালটিৰ ডিগবৈ লক্ষীমপুৰৰ পৰা ধুবুৰীলৈ ভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা উপস্থিত শিল্পী সদস্যসকলৰ প্ৰত্যেকেই গীত-মাত পৰিৱেশন, নৃত্য প্ৰদৰ্শন কৰি দিৱসটো স্মৰণীয় কৰি তোলে। এইদৰে দিনজোৰা কাৰ্যসূচীৰে বিমল আনন্দ উপভোগেৰে সমাৰোহৰ সামৰণি মৰা হয়।

# ফেব্ৰুৱাৰীৰ শেষত, মাৰ্চ মাহৰ প্ৰথমতে ওলাব এডিআৰইৰ ফলাফল!

## হাউলীত মুখ্যমন্ত্ৰীৰ একাধিক গুৰুত্বপূৰ্ণ মন্তব্য



**ই-সংবাদ, বৰপেটাৰোড, ২৮ জানুৱাৰীঃ** ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব বিটিআৰৰ নিৰ্বাচন। কিবা কাৰণত দুই এদিন ইফাল সিফাল হ'লেও দুৰ্গা পূজাৰ আগে আগে নিৰ্বাচন সম্পন্ন কৰা হ'বই। বিটিআৰৰ নিৰ্বাচন সন্দৰ্ভত আজি এই মন্তব্য কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই। আজি কোকৰাঝাৰলৈ যোৱা মুখ্যমন্ত্ৰী শৰ্মাই গুৱাহাটীলৈ ওভতাৰ পথত হাউলী ৰাস মন্দিৰত সেৱা লয়। তাৰ পিছতে তেওঁ হাউলী ৰাস মন্দিৰ পৰিচালনা সমিতিৰ সৈতে এক বৈঠকত মিলিত হয়। বিগত ৰাস মহোৎসৱত সমিতিৰ আমন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰাৰ বাবে আজি কোকাৰঝাৰৰ পৰা ওভতাৰ পথতে ৰাস মন্দিৰত উপস্থিত হয় মুখ্যমন্ত্ৰীগৰাকীয়ে। ডº শৰ্মাই হাউলী ৰাস মন্দিৰ পৰিচালনা সমিতিৰ অনুৰোধ ক্ৰমে ৰাস মহোৎসৱৰ বাবে এটা শতবৰ্ষ ভৱন নিৰ্মাণৰ প্ৰাককলন প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে হাউলীৰ পৰা বৰপেটা চহৰ সংযোগী হাজো হৈ গুৱাহাটীলৈ নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনোৱাৰ কথা প্ৰকাশ কৰে। এই ৰাষ্ট্ৰীয় ঘাইপথটোৰ বাবে মাটি অধিগ্ৰহনকে ধৰি প্ৰাৰম্ভিক কামখিনি ডেৰ বছৰৰ ভিতৰত সম্পূৰ্ণ হব বুলিও প্ৰকাশ কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ কয় যে, আমিনগাঁৱৰ পৰা বৰপেটালৈ ৰাষ্ট্ৰীয় ঘাইপথত এই পথ সংযোগ হ'ব। এই পথটো হাউলিত সংলগ্ন হোৱাৰ ফলত বৰপেটা জিলাৰ অৰ্থ সামাজিক বিকাশত সহায় হব। ইফালে চলিত বৰ্ষটোত ৰাজ্যত নতুনকৈ ৪০-৫০ হাজাৰ যুৱক-যুৱতীক নিযুক্তি প্ৰদানৰ ঘোষণা কৰা হ'ব বুলিও মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। ডº শৰ্মাই কয় যে ফেব্ৰুৱাৰীৰ শেষত বা মাৰ্চ মাহৰ প্ৰথমতে এডিআৰইৰ ফলাফল ঘোষণা কৰা হ'ব। লগতে উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ শেষৰ দিনাই পঞ্চায়ত নিৰ্বাচন ঘোষণা কৰা হ'ব বুলিও জনায়। ইপিনে ইউনিফৰ্ম চিভিল কোডক লৈ প্ৰতিক্ৰিয়া দি মুখ্যমন্ত্ৰীয়ে কয় যে অসমত ইউচিচিক লৈ কোনেও আপত্তি কৰা নাই। এনেই মুছলমানক বদনাম কৰিব নালাগে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজিকালি কোনো মুছলমান লোকেই এটাৰ ওপৰত বিয়া নকৰায়। উল্লেখ্য যে, সাংবাদিকৰে বাৰ্তালাপত অহা ছেপ্টেম্বৰ মাহত বিটিআৰৰ নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়ে হিমন্ত বিশ্ব শৰ্মাই।

# একেৰাহে ৩৮ ঘণ্টা মেণ্ডলিন বজাই বিশ্ব অভিলেখ গঢ়াৰ লক্ষ্য কুন্তল ৰাজ চক্ৰৱৰ্তীৰ

**ই-সংবাদ মহানগৰ সেৱা, ২৮ জানুৱাৰীঃ** বিশ্ব অভিলেখৰ বাবে পুনৰ মঞ্চত উঠিবলৈ সাজু হৈছে গিনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডধাৰী মেণ্ডলিন বাদক কুন্তল ৰাজ চক্ৰৱৰ্তী। এইবাৰ ৩৮ ঘণ্টা ধৰি মেণ্ডলিন বাদনেৰে বিশ্ব অভিলেখ গঢ়াৰ লক্ষ্য লৈছে সুপ্ৰসিদ্ধ মেণ্ডলিন বাদকগৰাকীয়ে। মঙলবাৰে গুৱাহাটী প্ৰেছ ক্লাৱত ব্যতিক্ৰমৰ উদ্যোগত আয়োজন কৰা এক সংবাদমেলত সংগীতজ্ঞগৰাকীয়ে জানিবলৈ দিয়া মতে, অহা ৩১ জানুৱাৰীত গুৱাহাটীৰ গীতানগৰ হাইস্কুল খেলপথাৰত সন্ধিয়া ৬ বজাৰ পৰা 'মেণ্ডলিন মেজিক' শীৰ্ষক মেণ্ডলিন বাদনৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। সংবাদমেলত কুন্তল ৰাজ চক্ৰৱৰ্তীয়ে কয় যে এই অনুষ্ঠানত একেৰাহে ৩৮ ঘণ্টা মেণ্ডলিন বাদনেৰে তেওঁ নিজৰ নামতে থকা ৩৬ ঘণ্টীয়া মেণ্ডলিন বাদনৰ অভিলেখ ভংগ কৰাৰ চেষ্টা কৰিব। উল্লেখ্য যে, ২০১৭




চনত ২৬ ঘণ্টা ৪১ মিনিট একেৰাহে মেণ্ডলিন বজাই বিশ্ব অভিলেখ গঢ়িছিল কুন্তল ৰাজ চক্ৰৱৰ্তীয়ে। কিন্তু ২০২২ চনত অষ্ট্ৰেলিয়াৰ ষ্টিফেন অলিভাৰে ২৭ ঘণ্টা ৮ মিনিটৰ নতুন অভিলেখ গঢ়াত তেওঁ সেই অভিলেখৰ সন্মান হেৰুৱাবলগীয়া হয়। ২০২৩ চনত তেওঁ পুনৰ ৩৬ ঘণ্টীয়া মেণ্ডলিন বাদনৰ নতুন অভিলেখ গঢ়াৰ চেষ্টা কৰে যদিও এতিয়ালৈ গিনিজ ৱৰ্ল্ড ৰেকৰ্ড কৰ্তৃপক্ষই তেওঁক সেই সাফল্যক স্বীকৃতি প্ৰদান কৰা নাই। এইবাৰ ৩৮ ঘণ্টাৰ অভিলেখ স্থাপনৰ লক্ষ্যৰে যুঁজিবলৈ ককাঁলত টঙালি বান্ধিছে সংগীতজ্ঞগৰাকীয়ে। সংবাদমেলত তেওঁ জনায় যে, অভিলেখ গঢ়াৰ সময়ত ১৫০০ নতুন গীত পৰিৱেশন কৰিব, য'ত কোনো গীতৰ পুনৰাবৃত্তি কৰা নহ'ব। সংগীতৰ সৈতে পোহৰ, শব্দ আৰু ৪৮ ঘণ্টাৰ মাৰাথন নিৰীক্ষণৰ বাবে তিনিটাকৈ কেমেৰাৰ ব্যৱস্থা কৰাৰ প্ৰয়োজনীয়তাৰ কথাও সংবাদমেলত প্ৰকাশ কৰে কুন্তল ৰাজ চক্ৰৱৰ্তীয়ে। ইফালে এই মেণ্ডলিন মেজিক শীৰ্ষক অনুষ্ঠানটোৰ উদ্যোক্তা ব্যতিক্ৰমৰ পৃষ্ঠপোষক ডº সৌমেন ভাৰতীয়াই কয় যে, এই অনুষ্ঠানটিয়ে অসমবাসীক অনুপ্ৰাণিত কৰাৰ লগতে সৃষ্টিশীলতা আৰু প্ৰতিভাৰ মাহাত্ম্য প্ৰচাৰত উল্লেখযোগ্য ভূমিকা পালন কৰিব। সমগ্ৰ অসমবাসীক এই অনুষ্ঠানত অংশগ্ৰহণৰ কৰি কুন্তল ৰাজক তেওঁৰ এই প্ৰচেষ্টাৰ বাবে উৎসাহিত কৰিবলৈ আহ্বান জনায় সৌমেন ভাৰতীয়াই।

## ‘বেংকমিত্ৰ’ৰ বিৰুদ্ধে জালিয়াতিৰে ধন আত্মসাতৰ অভিযোগ

# ছমৰীয়া ইউকো বেংকত উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, বকো, ২৮ জানুৱাৰীঃ** দক্ষিণ কামৰূপৰ বকোৰ ছমৰীয়া সত্ৰৰ ইউকো বেংকত মঙলবাৰে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। চহী জালিয়াতিৰে পাঁচ লক্ষাধিক টকা মোকলাই নিয়াৰ অভিযোগ বেংক মিত্ৰৰ বিৰুদ্ধে। খবৰ অনুসৰি ছমৰীয়া সত্ৰৰ নিকটৱৰ্তী এলেকা পুঠিমাৰীৰ লুইতপৰীয়া নামৰ এটি আত্মসহায়ক গোটৰ ধন মোকলাই বেংক মিত্ৰই। বেংক মিত্ৰ ভৈৰবী কলিতাৰ বিৰুদ্ধে পাঁচ লক্ষাধিক টকা মোকলাই নিয়াৰ অভিযোগ উত্থাপন কৰিছে গোটৰ সদস্যাই। ছমৰীয়া ইউকো বেংকৰ শাখা সহকাৰী প্ৰবন্ধক ৰঞ্জিত কুমাৰৰ বিৰুদ্ধে নীতিবৰ্হিভূতভাৱে গোটৰ সদস্যাক একো খবৰ নিদিয়াকৈ ধন মোকলাই দিয়াৰ অভিযোগ উত্থাপিত হৈছে।উল্লেখ্য যে, যোৱা ১ জানুৱাৰীত ছমৰীয়া ইউকো বেংকৰ শাখা সহকাৰী প্ৰবন্ধক ৰঞ্জিত কুমাৰে বেংক মিত্ৰ ভৈৰবী কলিতাক মোকলাই দিছিল পাঁচ লক্ষাধিক টকা। আজি দিনৰ ভাগত বেংক মিত্ৰৰ প্ৰতি সন্দেহ ওপজাত আত্মসহায়ক গোটটোৰ সদস্যাসকলে বেংকত খবৰ লোৱাত ওলাই পৰে পাঁচ লাখৰো অধিক টকা গোটৰ সদস্যাৰ অজ্ঞাতে ভৈৰবী কলিতা নামৰ মহিলাগৰাকীয়ে জালিয়াতিৰে উলিয়াই নিয়াৰ তথ্য। গোটটোৰ সদস্যাসকলে টকা জালিয়াতিৰে উলিয়াই নিয়াৰ ঘটনা গম পোৱাৰ পিছতে বেংক মিত্ৰ ভৈৰবী কলিতাক সোধাত তেওঁ টকাখিনি উলিয়াই নিয়া বুলি স্বীকাৰ কৰে আৰু মহিলাসকলে টকাখিনি ওভতাই বিচৰাত ভৈৰবী কলিতাই আজি দিনটোৰ ভিতৰত উভতাই দিয়াৰ কথা কয়। ইয়াৰ পিছতে মহিলাসকলে বেংক মিত্ৰ ভৈৰবী কলিতাক বেংকৰ ভিতৰত আবদ্ধ কৰি ৰাখি দিনটো টকাখিনি অপেক্ষা কৰি বেংক চৌহদতে বৈ থাকে। মহিলাসকল বৈ থকাৰ সময়তে হঠাৎ বেংক মিত্ৰ ভৈৰবী কলিতা বেংক চৌহদতে শাৰীৰিক অসুস্থতাত মূৰ্চা যায়। বেংক মিত্ৰগৰাকীক ততাতৈয়াকৈ স্থানীয় ৰাইজৰ সহযোগত চিকিৎসালয়লৈ লৈ যোৱা হয়। ইয়াৰ পিছতে একাংশ মহিলাই বেংকৰ সহকাৰী প্ৰৱন্ধকগৰাকীয়ে কি কাৰণত গোটৰ কোনো সদস্যা নোহোৱাকৈ পাঁচ লক্ষাধিক টকা উলিয়াই দিলে সেই লৈ জবাবদিহি কৰাত পৰিস্থিতি উত্তপ্ত হৈ উঠে। মহিলাসকলে তেওঁলোকৰ ধন মোকলাই নিদিলে বেংকৰ সহকাৰী প্ৰৱন্ধকগৰাকীক যাবলৈ দিয়া নহ’ব বুলি কৈ বাহিৰৰ পৰা তলা মাৰি সহকাৰী প্ৰৱন্ধক গৰাকীক আবদ্ধ কৰি ৰাখে। বহুসময় ধৰি বহু বাক-বিতণ্ডাৰ সৃষ্টি হোৱাত স্থানীয় আৰক্ষীক অৱগত কৰাত ছমৰীয়া আৰক্ষীৰ পহৰা চকীৰ দল এটি আহি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে আৰু বেংকত তলা মাৰি সহকাৰী প্ৰৱন্ধকগৰাকীক আৰক্ষীয়ে লৈ যায়। এনেদৰে আত্মসহায়ক গোটৰ সদস্যাৰ অজ্ঞাতে পাঁচ লক্ষ্যাধিক টকা জালিয়াতি কৰা ঘটনাই ছমৰীয়া অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# মহাকুম্ভত মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ শিল্পী দলৰ বৰগীত, ৰাম-বিজয় নাট পৰিৱেশন

**ই-সংবাদ, মাজুলী, ২৮ জানুৱাৰীঃ** বিগত এটা পষেক ধৰি অব্যাহত থকা উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ মহাকুম্ভমেলাত কাইলৈ পবিত্ৰ মাঘী অমাৱস্যা স্নান কৰিব কোটি কোটি ভক্তই। আজি মঙলবাৰেও প্ৰয়াগৰাজৰ ত্ৰিবেণী সংগমত ৪০ লাখ ভক্তই স্নান কৰা পৰিলক্ষিত হয়। ইফালে প্ৰয়াগৰাজৰ এইবাৰৰ মহাকুম্ভত অসমীয়া সংস্কৃতিও উজ্জ্বলি উঠিছে। সেই অনুসৰি মেলাৰ ৭ নং চেক্টৰৰ বজৰং মাৰ্গত থকা প্ৰাগজ্যোতিষপুৰৰ প্ৰেক্ষাগৃহত মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ শিল্পীসকলে বৰগীত, পূৰ্বৰংগ গায়ন-বায়ন আৰু গুৰুজনাৰ কালজয়ী সৃষ্টি ৰাম বিজয় নাটৰ খণ্ডদৃশ্য পৰিৱেশন কৰে। সংগীত নাটক অকাডেমী বঁটা প্ৰাপক ভৱেন বৰবায়নৰ পৰিচালনাৰে অনুষ্ঠিত উক্ত সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰা সাংস্কৃতিক দলটোৰ দলপতি হিচাপে থাকে প্ৰতিদিন টাইমৰ মাজুলীৰ সাংবাদিক তীৰ্থ ভুঞা। অনুষ্ঠানত ৰাম-লক্ষ্মণে মাৰিছ সুবাহু তাৰকা বধ কৰা মুখাৰ দৃশ্য প্ৰদৰ্শিত হোৱাৰ লগতে সাংবাদিক তীৰ্থ ভুঞাই বিশ্বামিত্ৰৰ ভাৱত অভিনয় কৰে। শ শ সাধু সন্যাসী সন্তই গুৰুজনাৰ উক্ত কলা-সংস্কৃতি মন্ত্ৰমুগ্ধ হৈ উপভোগ কৰে। ইফালে, ঐতিহাসিক আউনীআটী সত্ৰৰ বৈষ্ণৱ বৃন্দই ১২ বছৰৰ মূৰত হোৱা প্ৰয়াগৰাজৰ মহাকুম্ভমেলাত সত্ৰীয়া সংস্কৃতি প্ৰদৰ্শনৰ বাবে অহা ৩০ জানুৱাৰীত মাজুলীৰ পৰা ৰাওনা হব। আউনীআটী সত্ৰৰ অধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীৰ নেতৃত্বত সত্ৰ খনৰ ৪০ গৰাকী বৈষ্ণৱে বৰ্তমানৰ উত্তৰ গুৱাহাটীৰ ঋষি কেশৱ দাসৰ বিশেষ তৎপৰতাত কুম্ভমেলাত অংশগ্ৰহণ কৰিব। আউনীআটী সত্ৰৰ বৈষ্ণৱ শিল্পীৰ দলটোৱে কুম্ভমেলাত মাজুলীৰ সত্ৰীয়া পৰিৱেশ আৰু সত্ৰীয়া সংস্কৃতিৰ পৰিৱেশনৰ লগতে কুম্ভমেলাত শংকৰদেৱৰ অমৰ সৃষ্টি অংকীয়া নাট 'ৰাম বিজয়' প্ৰদৰ্শন কৰিব। ইয়াৰ উপৰিও আউনীআটী সত্ৰৰ অপ্সৰা নৃত্য আৰু হিয়ানাম পৰিৱেশনৰ লগতে দহটা দিন কুম্ভমেলাত চাৰি প্ৰসংগ পৰিৱেশনৰ উপৰিও ভাগৱত ব্যাখ্যাৰ অনুষ্ঠানো কৰিব বুলি জানিব পৰা গৈছে। প্ৰথমবাৰৰ বাবে কুম্ভমেলালৈ গৈ অসমৰ সত্ৰীয়া সংস্কৃতিক প্ৰতিনিধিত্ব কৰাৰ সুযোগ পোৱাত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীৰ লগতে বৈষ্ণৱসকলক বিশেষভাৱে আনন্দিত কৰি তুলিছে। উল্লেখযোগ্য যে অহা ৩১ জানুৱাৰীত সত্ৰখনৰ সত্ৰাধিকাৰগৰাকীয়ে কুম্ভমেলা অভিমুখে ৰাওনা হোৱাৰ লগতে বৈষ্ণৱসকল ৩০ জানুৱাৰীতেই কুম্ভমেলালৈ বুলি ৰাওনা হ'ব।

# বটদ্ৰৱা থান দৰ্শন ওম মণ্ডলী শিৱ শক্তি অৱতাৰ সেৱা সংস্থাৰ ৰায়পুৰ, ছট্টিশগড়ৰ সঞ্চালিকা দেৱকী মাইয়াইৰ

**ই-সংবাদ, বেবেজীয়া, ২৮ জানুৱাৰীঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মস্থানৰ ঐতিহাসিক বটদ্ৰৱা থানত মঙলবাৰে পুৱাই ওম মণ্ডলী শিৱ শক্তি অৱতাৰ সেৱা সংস্থাৰ ৰায়পুৰ, ছট্টিশগড়ৰ সঞ্চালিকা দেৱকী মাইয়াইৰ লগতে সেৱা সস্থাৰ কেইবাগৰাকী সেৱক আহি উপস্থিত হয়। আচলতে, ওম মণ্ডলী শিৱ শক্তি অৱতাৰ সেৱা সংস্থাই বহু বছৰ ধৰি পবিত্ৰ শব্দ 'ওম' জপ কৰাৰ অনুশীলন ব্যৱস্থাৰ বাবে সমগ্ৰ দেশতে প্ৰচাৰ প্ৰসাৰত ব্ৰতী হৈ আহিছে। ওম জপ কৰি অভ্যন্তৰীণ শান্তি, প্ৰশান্তি বোধ কৰা, শৰীৰ আৰু মন উভয়ৰে অলৌকিক পৰিবৰ্তনৰ বাবে মানৱ কল্যাণৰ নিমিত্তে এই প্ৰচাৰ প্ৰসাৰৰত ব্ৰতী হৈ থকা এই ব্যক্তিসকলে বটদ্ৰৱা থান দৰ্শনৰ মানসেৰে এইদৰে বটদ্ৰৱা থানত উপস্থিত হয়। বটদ্ৰৱা থানত প্ৰবেশ কৰি কীৰ্ত্তন ঘৰত সেৱা গ্ৰহণ কৰি গুৰুজনাৰ স্মৃতিচিহ্ন শংকৰ শিলিখা বৃক্ষ, হাটীপুখুৰী, আকাশী গংগা আদি দৰ্শন কৰি আপ্লুত হৈ পৰে। এইদৰে বটদ্ৰৱা থান দৰ্শন কৰা দেৱকী মাইয়াইৰ লগতে জ্যোতিৰ্ময় চন্দন গিৰি, লক্ষী প্ৰভা দেৱী, দ্বাৰিকা প্ৰসাদ আগৰৱালা, ডঃ শ্ৰীমন্ত কুমাৰ ছাহু, অঞ্জনা পাৰাৰ, বিজয় কুমাৰ সিন্ধীকে আদি কৰি অতিথি সকলক সংগ প্ৰদান কৰে সাংবাদিক দিব্যজ্যোতি বৰুৱাই।

## নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰৰ সতীৰ্থ সন্মিলন

**ই-সংবাদ, নগৰবেৰা, ২৮ জানুৱাৰীঃ** কামৰূপ জিলাৰ বকো-ছয়গাঁও সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ নগৰবেৰাৰ অগ্ৰণী শিক্ষানুষ্ঠান নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম হাইস্কুল শিক্ষান্ত পৰীক্ষা(১৯৭৫ চন) কেন্দ্ৰৰ সতীৰ্থ সন্মিলন আজি অনুষ্ঠিত হয়। আহ্বায়ক সমিতিৰ সদস্য তথা প্ৰাক্তন ছাত্ৰ ক্ৰমে ডঃ নুৰ আলম হক, জনাৰ্দ্দন কলিতা, হৰি কলিতা, কিশোৰী মোহন দাস, দ্বীপেন মেধি, দীপ্তিৰেখা পাঠক মজুমদাৰ, অমিয় কুমাৰ মেধিৰ তৎপৰতাত নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সতীৰ্থ সন্মিলনৰ কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত সহপাঠীৰ নাম পঞ্জীয়ন, বন্তি প্ৰজ্বলন, স্বৰ্গগামী শিক্ষক আৰু সহপাঠীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছত চিনাকি পৰ্ব অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পিছত প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ডঃ নুৰ আলম হকৰ সঞ্চালনাত অনুষ্ঠিত সতীৰ্থ সন্মিলন তথা মত বিনিময় অনুষ্ঠানত নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক জগদীশ দাস, অৱসৰপ্ৰাপ্ত অধ্যক্ষ হৰিপদ দাস, অৱসৰপ্ৰাপ্ত কাৰ্যালয় সহায়ক ধনেশ্বৰ পাঠকৰ লগতে বিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ ধনেশ্বৰ দাস উপস্থিত থাকে। অনুষ্ঠানটিত উপস্থিত বিদ্যালয়খনৰ আমন্ত্ৰিত অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী ক্ৰমে জগদীশ দাস, হৰিপদ দাস আৰু ধনেশ্বৰ পাঠকৰ লগতে অধক্ষ ধনেশ্বৰ দাসে ভাষণ প্ৰসংগত সুদীৰ্ঘ ৫০ বছৰ পিছত নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰৰ সতীৰ্থ সন্মিলনত উপস্থিত হৈ গৌৰৱ অনুভৱ কৰাৰ কথা ব্যক্ত কৰি সন্তুষ্টি প্ৰকাশ কৰি উপস্থিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। উল্লেখ্য যে প্ৰাক্তন ছাত্ৰ জনাৰ্দ্দন কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা সতীৰ্থ সন্মিলনখনিত সহপাঠী প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত গাণনিক বিষয়া আতাউৰ ৰহমান, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক কিশোৰী মোহন দাস, জনাৰ্দ্দন কলিতা, অৱসৰপ্ৰাপ্ত বন বিষয়া জালাল উদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক নুৰ আলম হক, দীপ্তিৰেখা পাঠক মজুমদাৰ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অমিয় কুমাৰ মেধি, অৱসৰপ্ৰাপ্ত শিক্ষক লক্ষ্য নাথ, দ্বীপেন মেধি, তছলিম উদ্দিন আহমেদ, আব্দুল মতিন, মীনা সাহা আৰু সৰোজনী পাঠক আদিয়ে ভাষণত অতীতক ৰোমন্থন কৰি নষ্টালজিক হৈ পৰে। সভাত প্ৰাক্তন সতীৰ্থ সন্মিলনৰ তৰফৰ লগতে প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত বন বিষয়া জালান উদ্দিন আহমেদ আৰু অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা দীপ্তিৰেখা পাঠক মজুমদাৰে উপস্থিত শিক্ষাগুৰু আৰু কৰ্মচাৰীক গামোচা, শৰাই, জাপি, গঁড়ৰ প্ৰতীক, কিতাপ, শ্ব'ল আদিৰে বিশেষভাৱে সম্বৰ্ধনা জনায়।

### গৰাখহনীয়া, জৈৱ বৈচিত্ৰ্যৰ ক্ষতি আৰু প্ৰাকৃতিক বাসভূমিৰ ক্ষতি

# আজ্ঞাঠুৰি ঘাটৰ পৰা খনন, নিষ্কাশন কৰাত নিষেধাজ্ঞা প্ৰশাসনৰ

**ই-সংবাদ, শুৱালকুছি, ২৮ জানুৱাৰীঃ** কামৰূপ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ প্ৰণৱ দত্ত গোস্বামীয়ে ২৭ জানুৱাৰীত এক নিৰ্দেশযোগে পৰিৱেশ সংৰক্ষণ আৰু ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত কামৰূপ জিলাৰ চৰমাজুলী ৰাজহ গাঁৱৰ আজ্ঞাঠুৰী ঘাটৰ পৰা বালি, মাটি আৰু বোকা নিষ্কাশন কৰাত পৰৱৰ্তী জাননী নিদিয়ালৈকে কঠোৰভাৱে নিষেধাজ্ঞা আৰোপ কৰিছে। উল্লেখ্য যে, একাংশ লোক আৰু প্ৰতিষ্ঠানে পৰিৱেশ আইন আৰু নিয়মাৱলী উলংঘা কৰি চৰমাজুলী গাঁৱৰ ব্ৰহ্মপুত্ৰৰ আজ্ঞাঠুৰী ঘাটৰ পৰা বালি, মাটি আৰু বোকা নিষ্কাশন কৰি অহা দৃষ্টিগোচৰ হোৱাত আৰু সম্পূৰ্ণ অকৰ্তৃত্বশীলভাৱে মাটি আৰু বোকাৰ এনে নিষ্কাশনে গৰাখহনীয়া, জৈৱ বৈচিত্ৰ্যৰ ক্ষতি আৰু প্ৰাকৃতিক বাসভূমিৰ ক্ষতিকে ধৰি পৰিৱেশত ব্যাপক প্ৰভাৱ পেলোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশ জাৰি কৰা হৈছে। একেদৰে এই নিৰ্দেশ জাৰি কৰাৰ সময়ত ওপৰত উল্লিখিত এলেকাৰ পৰা মাটি আৰু বোকাৰ নিষ্কাশনৰ বাবে প্ৰদান কৰা অনুমতিৰ ম্যাদ ২০২৫ চনৰ ২৭ জানুৱাৰীত এডিএম-২৯/২০৩/২০২২-কেএএ নং পত্ৰযোগে শেষ হোৱা বুলি ঘোষণা কৰাৰ দিশটোৰ প্ৰতিও লক্ষ্য ৰখা হৈছে। এই নিৰ্দেশ উলংঘা কৰা ব্যক্তিৰ বিৰুদ্ধে অসম বন আইন, ১৯৭৩ আৰু অন্যান্য প্ৰযোজ্য আইনৰ অধীনত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।



অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ প্ৰস্তুতিৰ বুজ ল'লে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই, মঙলবাৰে

# ভবেশ কলিতাৰ উদ্যোগত পৰীক্ষাৰ্থীক অভিনন্দন জ্ঞাপন অনুষ্ঠান

**ই-সংবাদ, ৰঙিয়া, ২৮ জানুৱাৰীঃ** ৰঙিয়াৰ স্থানীয় বিধায়ক ভবেশ কলিতাৰ উদ্যোগত আজি দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ্থীক অভিনন্দন জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। হৰদত্ত বীৰদত্ত ভৱন প্ৰেক্ষাগৃহত তদুপলক্ষে আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিধায়কগৰাকীয়ে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সহায়ক পুথিও বিতৰণ কৰে। ৰঙিয়াৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা উপস্থিত থকা শতাধিক পৰীক্ষাৰ্থীক শুভেচ্ছা জ্ঞাপন কৰি সমাগত পৰীক্ষাত আশা কৰা ধৰণে ফলাফল লাভ কৰাৰ আশা ব্যক্ত কৰে বিধায়ক ভবেশ কলিতাই। সংগীত গ্ৰুপ অফ ক্ৰিয়েচনৰ সম্পাদক পংকজ পল্লৱ শৰ্মাই সঞ্চালনা কৰা সভাৰ প্ৰাৰম্ভিকতে উদ্দেশ্য ব্যাখ্যা কৰে জাভেদ জামানে। সভাত বিশিষ্ট অতিথিৰূপে দলগাঁও ডায়েটৰ অধ্যক্ষ ডঃ ভূপেন চন্দ্ৰ দাস, ৰঙিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰদীপ কুমাৰ কলিতা, অৱসৰপ্ৰাপ্ত অধ্যক্ষা ডঃ ৰুনুমী দত্ত ডেকাৰ লগতে বিশিষ্ট লেখক-সমালোচক অংকুৰ ডেকা, কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণী চৰণ কলিতা, পৌৰপতি অমৰেন্দ্ৰ লহকৰ, বিজেপি দলৰ জ্যেষ্ঠ নেতা সুবল পাল প্ৰমুখ্যে আন কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# ৰঙিয়াৰ ইউনিয়ন বেংকত অগ্নিকাণ্ড

**ই-সংবাদ, ৰঙিয়া, ২৮ জানুৱাৰীঃ** ৰঙিয়া নগৰৰ সোঁমাজতে থকা ইউনিয়ন বেংকত আজি পুৱাৰ ভাগত সংঘটিত হয় অগ্নিকাণ্ডৰ ঘটনা। বেংকটোৰ ৰঙিয়া শাখাৰ কোঠা পুৱা ৮ মান বজাত ধোঁৱাময় হৈ পৰাৰ সম্ভেদ লাভ কৰি বেংক কৰ্তৃপক্ষ উপস্থিত হৈ অগ্নিকাণ্ডৰ ঘটনা প্ৰত্যক্ষ কৰে। লগে লগে নিকটৱৰ্তী আৰক্ষী থানা আৰু অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত অগ্নিনিৰ্বাপক বাহিনী লগে লগে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। শ্বৰ্ট চাৰ্কিটৰ ফলতে ঘটনাটো সংঘটিত হোৱাৰ ধাৰণা কৰা হৈছে। এই ঘটনাৰ ফলত বেংকটোৰ নথি-পত্ৰ ক্ষতি হোৱাৰ বিপৰীতে বৃহৎ ক্ষতিসাধনৰ পৰা ৰক্ষা পৰে।

**শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট অধিৱেশনক লৈ শিক্ষাৰ্থীৰ অনুৰোধ**

# উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ভূগোলৰ প্ৰেকটিকেল আগুৱাই অনাৰ আহ্বান

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৮ জানুৱাৰীঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক অধিৱেশন মʼহবন্ধাৰ এৰালতলি পথাৰত ৬-৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। এই অধিৱেশনত ৰাজ্যখনৰ ২ লাখৰো অধিক সংঘৰ সংগীৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলে অংশগ্ৰহণ কৰাৰ উপৰি ৰাজ্যখনৰ সাংসদ, বিধায়ক, মন্ত্ৰীসকলৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰিব। অধিৱেশনখনত ২৫ হেজাৰৰো অধিক সংঘৰ যুৱ স্বেচ্ছাসেৱকে ভকত-বৈষ্ণৱ, অতিথিসকলক সেৱা-শুশ্ৰূষা কৰিব। এই যুৱ স্বেচ্ছাসেৱকসকলৰ ভিতৰত উচ্চ মাধ্যমিকত উত্তীৰ্ণৰ পৰা স্নাতকোত্তৰত অধ্যয়ন কৰি থকাসকলৰ সংখ্যাই অধিক। ৰাজ্যৰ শিক্ষা বিভাগে উচ্চতৰ মাধ্যমিকৰ চূড়ান্তৰ প্ৰেকটিকেল পৰীক্ষাসমূহ ২৯ জানুৱাৰীৰ পৰা ৯ ফেব্ৰুৱাৰীৰ ভিতৰত সম্পন্ন কৰিবলৈ নিৰ্দেশনা দিছে। অন্য বিষয়সমূহৰ প্ৰেকটিকেল পৰীক্ষা ৫ ফেব্ৰুৱাৰীৰ ভিতৰত সম্পন্ন হʼব যদিও ভূগোল বিষয়ৰ প্ৰেকটিকেল পৰীক্ষা ৬-৮ ফেব্ৰুৱাৰীৰ ভিতৰত সম্পন্ন কৰিবলৈ সময়সূচী নিৰ্ধাৰণ কৰাত অসন্তুষ্ট হৈছে যোৰহাট জিলাৰ শিক্ষাৰ্থীসকল। সংঘৰ অধিৱেশনত স্বেচ্ছাসেৱকৰ দায়িত্বৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালক অধিৱেশনৰ স্থলীতে সমীপৰ পৰা প্ৰত্যক্ষ কৰাত আগ্ৰহী হৈ থকা শিক্ষাৰ্থীসকলে উচ্চতৰ মাধ্যমিকৰ চূড়ান্তৰ প্ৰেকটিকেল পৰীক্ষা ৬-৮ ফেব্ৰুৱাৰীৰ পৰিৱৰ্তে ৩-৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত কৰিবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত যোৰহাট জিলা পৰীক্ষা পৰিচালনা সমিতিৰ সদস্য-সচিবক অধ্যক্ষ আৰু নিৰ্দিষ্ট বিভাগৰ প্ৰৱক্তাসকলে অৱগত কৰিছে যদিও গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। বিষয়টো বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা সহ-আয়ুক্ত (শিক্ষা)-কো অৱগত কৰা হৈছে। সেয়ে শিক্ষাৰ্থীসকলে জিলা আয়ুক্তগৰাকীক এই সমস্যাটো সমাধান কৰাৰ বাবে আহ্বান জনাইছে। ৩১ জানুৱাৰীৰ ভিতৰত জিলা আয়ুক্তই ব্যৱস্থা গ্ৰহণ নকৰিলে ১ ফেব্ৰুৱাৰীৰ দিনা সমাধানৰ বাবে ৰাজ্যৰ শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰীগৰাকীলৈ ৱাটছএপ আৰু ই-মেইলযোগে ভূগোলৰ প্ৰেকটিকেল পৰীক্ষা যোৰহাট জিলাত ৩-৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাই বাৰ্তা প্ৰেৰণ কৰিব বুলি শিক্ষাৰ্থীসকলে জানিবলৈ দিছে।




ৰঙিয়াত আৰক্ষীৰ অভিযানত ড্ৰাগছসহ আটক দুই সৰবৰাহকাৰী, ফটোঃ ই-সংবাদ, ৰঙিয়া

# ৰূপচী বনাঞ্চল বন ধ্বংসকাৰীৰ কবলত, তহিলং মূল্যবান শাল চেগুন গছ

**ই-সংবাদ, পৰ্বতঝোৰা, ২৮ জানুৱাৰীঃ** পৰ্বতঝোৰা বন সংমণ্ডলত অন্তৰ্গত ৰূপচী সংৰক্ষিত বনাঞ্চলত থকা শাল, চেগুন আদি মূল্যবান অপৈনত গছসমূহ বন ধ্বংসকাৰীয়ে কাটি তহিলং কৰা কাৰ্যই প্ৰকৃতি প্ৰেমী ৰাইজক উদ্বিগ্ন কৰি তুলিছে। উল্লেখ্য যে পৰ্বতঝোৰা মহকুমাৰ পৰ্বতঝোৰা বন সংমণ্ডলৰ এলেকাধীন বাসবাৰী বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত ইতিহাস প্ৰসিদ্ধ ৰূপসী বনাঞ্চলত যোৱা কেইবাদিন ধৰি একাংশ বন ধ্বংসকাৰীয়ে বহু মূল্যবান গছ কাটি লৈ যায়। কাটি থৈ যোৱা কেইবাডালো অপৈনত গছ পৰি থকা দৃশ্যই প্ৰকৃতিপ্ৰমী ৰাইজক উদ্বিগ্ন কৰি তুলিছে। ৰূপচী বনাঞ্চলৰ পৰা গছসমূহ কাটি লৈ যোৱাৰ পিছত গছত মূৰাসমূহ সতেজ অৱস্থাত পৰি দৃশ্যই বনাঞ্চলটোৰ প্ৰতি ক্ৰমবৰ্ধমান ভাবুকি যে দিনক দিনে বৃদ্ধি পাই আহিছে সেয়া পুনৰবাৰ প্ৰতিয়মান হৈছে। গৌৰীপুৰৰ পৰা বাসবাৰী লৈ যোৱা গড়কাপ্টানী পথৰ কাষত থকা ৰূপচী সংৰক্ষিত বনাঞ্চলটো সুৰক্ষাৰ ক্ষেত্ৰত বন বিভাগ থকা সত্ত্বেও ইয়াক সুৰক্ষাৰ লগতে বনাঞ্চলটোৰ সেউজীকৰণ প্ৰকল্পটো ধৰি ৰখিবলৈ কিমান দূৰ সক্ষম হৈছে ই এক লাখটকীয়া প্ৰশ্ন। উল্লেখ্য যে কিছুদিন পূৰ্বেও এনে ধৰণৰ বন ধ্বংসকাৰীৰ দলে বহু মূল্যবান গছ কাটি তহিলং কৰি থৈ গৈছিল। লগতে এই সংক্ৰান্তত বাতৰি প্ৰকাশিত হোৱাৰ পিছত বাসবাৰী বনাঞ্চলিক বিভাগৰ দলে কিছু সক্ৰিয়ভাৱ দেখুওৱা পৰিলক্ষিত হৈছিল। পিছত আকৌ বন ধ্বংসকাৰীয়ে কেনেকৈ যাতায়াত পথৰ কাষতে থকা প্ৰকৃতিক সৌন্দৰ্যৰে ভৰপূৰ এই গছসমূহৰ ভিতৰত বহু কেইটাও মূল্যবান গছ যোৱা কেইবাটাও দিনত কাটি তহিলং কৰিবলৈ পালে, ইয়াক প্ৰকৃতিপ্ৰেমীসকলে সহজভাৱে লʼব পৰা নাই। লগতে এই সংৰক্ষিত বানাঞ্চলখনৰ লগতে বনাঞ্চলখনৰ সুৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

# উপৰহালীত ভয়ানক পথ দুৰ্ঘটনা

**ই-সংবাদ, মিৰ্জা, ২৮ জানুৱাৰীঃ** আজি বিজয়নগৰ আৰক্ষী চকীৰ অন্তৰ্গত উপৰহালীত আজি এক ভয়ানক পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোত থিতাতে নিহত হয় ৰঙামাটিৰ খোখাপাৰাৰ নিবাসী ৰণ্টু দাস। এ এছ-২৫ পি-৫৯১১ নম্বৰৰ মটৰচাইকেল আৰোহী উত্তম কাকতি(৪০) বিজয়নগৰ ছয়গাঁও অভিমুখে গৈ থকা অৱস্থাত সেই একে দিশেৰে বিজয়নগৰ ছয়গাঁও অভিমুখে গৈ থকা এ এছ-০১ এল চি-৩০৫৭ নম্বৰৰ খালী চিলিণ্ডাৰ ভৰ্তি ট্ৰাকখনে পিছৰপৰা মহটিয়াই লৈ যায়। ফলত থিতাতে নিহত হয় মটৰচাইকেল আৰোহী ৰণ্টু দাস। ঘটনাস্থলীৰ পৰা ৰাইজে আৰক্ষীক খবৰ দিয়াত বিজয়নগৰ আৰক্ষীয়ে গাড়ীখন জব্দ কৰিবলৈ সক্ষম হয়। নিহত ৰণ্টু দাসৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী মেডিকেল কলেজলৈ প্ৰেৰণ কৰে। উল্লিখিত সৰপাৰা উপৰহালী হালীগাঁও পথছোৱা বৰ্তমান মৰণফান্দ হিচাপে পৰিগণিত হৈছে। বিগত সময়ছোৱাত উক্ত পথত কেইবাজনো ব্যক্তি নিহত আৰু আহত হয়।

# বেংক বিষয়া প্ৰাঞ্জল বায়নৰ প্ৰয়াণ



**ই-সংবাদ, ডিব্ৰুগড়, ২৮ জানুৱাৰীঃ** ডিব্ৰুগড়ৰ বিশিষ্ট শিশুৰোগ বিশেষজ্ঞ ডাঃ গিৰিধাৰি বায়ন আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত চিকিৎসক ডাঃ অমল ৰাণী বায়নৰ দ্বিতীয় পুত্ৰ বেংক বিষয়া প্ৰাঞ্জল বায়নৰ (ৰিংকু) যোৱা ২৫ জানুৱাৰীত দিল্লীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ৪৭ বছৰ বয়সত হৃদ ৰোগত আক্ৰান্ত হৈ মৃত্যু ঘটে। ১৯৭৭ চনৰ ১৫ জুনত ডিব্ৰুগড়ৰ জ্যোতি নগৰত জন্মগ্ৰহণ কৰা প্ৰাঞ্জল বায়ন সৰুৰে পৰা পঢ়া শুনাত অতি মেধাৱী আছিল। ২০০৬ চনত আই ডি বি আই (ইণ্ডাষ্ট্ৰিয়েল ডেভেলʼপমেণ্ট বেংক অব ইণ্ডিয়া) বেংকত চাকৰিত যোগদান কৰি ডিব্ৰুগড়, গুৱাহাটী, আচানচল, শিলচৰ, কলকাতা আদিত নিষ্ঠা আৰু সততাৰে কাৰ্যনিৰ্বাহ কৰি শেষত যোৱা ২০২৪ চনৰ জুন মাহত দিল্লীত আই ডি বি আই বেংকত মেনেজাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰি থাকে। কালি তেওঁৰ মৃতদেহ ডিব্ৰুগড়লৈ বিমানেৰে লৈ আহে। এগৰাকী অতি অমায়িক আৰু নিৰহংকাৰী ব্যক্তি ৰূপে সকলোৰে মাজত পৰিচিত প্ৰাঞ্জল বায়নে মৃত্যুৰ সময়ত পিতৃ শিশুৰোগ বিশেষজ্ঞ ডাঃ জি বায়ন, মাতৃ ডাঃ অমল ৰাণী বায়ন, পত্নী দুলাৰী বায়ন, এগৰাকী ১৩ বছৰীয়া কন্যা অপ্সৰা বায়ন, ককায়েক ডাঃ পংকজ বায়ন, এগৰাকী ভনীয়েক আৰু বৌয়েক ডাঃ বৰ্ণালী বায়নৰ লগতে পৰিয়ালৰ অনেক আত্মীয়ক ইহ সংসাৰত এৰি থৈ যায়। আজি অনেক গুণমুগ্ধৰ উপস্থিতিত স্থানীয় চৌকিডিংগী শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।



# বড়ো সকলৰ আদিম ধৰ্ম ‘গীথাৰ বাথৌ ছান’ অৰ্থাৎ পবিত্ৰ বাথৌ ধৰ্ম উদযাপন

**ই-সংবাদ, কোকৰাঝাৰ, ২৮ জানুৱাৰীঃ** কোকৰাঝাৰৰ বাগানশালীৰ বাথৌ ছানশালীত আজি উলহমালহেৰে বড়ো জনগোষ্ঠীৰ আদিম ধৰ্ম গীথাৰ বাথৌ ছান অৰ্থাৎ পবিত্ৰ বাথৌ দিৱস উদযাপন কৰা হয়। আজি ৰাতিপুৱা মন্দিৰ প্ৰাংগণত পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। বড়ো সকলোৰ পৰম্পৰাগত ধৰ্ম বাথৌৰ ৰীতি নীতি অনুসৰি সিজু গছক পূজা অৰ্চনা কৰি সমূহীয়াভাবে প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। উল্লেখ্য যে প্ৰতি বছৰৰ মাঘ মাহৰ দ্বিতীয় মঙলবাৰৰ দিনাখন পবিত্ৰ বাথৌ দিৱস উদযাপন কৰা হয়। মন্দিৰ প্ৰাংগনত উপস্থিত থকা বিপিএফ দলৰ নেতা তথা বিটিচিৰ প্ৰাক্তন উপমুখ্য কাৰ্যবাহী সদস্য খাম্পা বৰগয়াৰীয়ে কয় যে বাথৌ ধৰ্ম বড়ো সকলৰ আদিম ধৰ্ম। সকলো জাতি-জনগোষ্ঠীৰে সুকীয়া সুকীয়া ধৰ্ম, কলা-সংস্কৃতি আছে। তেনেদৰে বাথৌ ধৰ্মই বড়োসকলৰ পৰিচয় বহন কৰি আহিছে। আজি উদযাপন কৰা পবিত্ৰ বাথৌ দিৱসত সমূহীয়াভাৱে প্ৰাৰ্থনাৰ জৰিয়তে সমগ্ৰ বিশ্ববাসীৰ বাবে শান্তি কামনা কৰা বুলি মন্তব্য কৰে খাম্পা বৰগয়াৰীয়ে। বাথৌ ছানশালী কেন্দ্ৰীয় সমিতিৰ মুখ্য আহ্বায়ক মহিম বসুমতাৰীয়ে কয় যে বড়ো জনগোষ্ঠীয়ে আজিৰ দিনটোত অতি উলহমালহেৰে পবিত্ৰ বাথৌ দিৱস উদযাপন কৰে। প্ৰতি বছৰৰ মাঘ মাহৰ দ্বিতীয় মঙলবাৰে বাথৌ দিৱস উদযাপন কৰা হয়। যোৱা কালিৰে পৰা আৰম্ভ হোৱা বাথৌ দিৱসৰ কালি এক লাখ বন্তি প্ৰজ্জ্বলন কৰি বিশ্ববাসীৰ কাৰনে শান্তি প্ৰাৰ্থনা কৰা বুলি জানিব দি সকলো ৰাইজকে বাথৌ দিৱসৰ শুভেচ্ছা জনায়। উল্লেখ্য যে আজি বাথৌ দিৱস উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল অহাৰ কথা আছিল যদিও বিশেষ অসুবিধাৰ কাৰণে আহিব নোৱাৰিলে বুলি উল্লেখ কৰি শুভেচ্ছা বাণী প্ৰেৰণ কৰা বুলি জানিবলৈ দিয়ে বাথৌ ছানশালী কেন্দ্ৰীয় সমিতিৰ মুখ্য আহ্বায়ক মহিম বসুমতাৰীয়ে।

# দিবৈ ৰাঙলীত মৰাণৰ ২২১সংখ্যক জোনাকী মেল সম্পন্ন

**ই-সংবাদ, মথুৰাপুৰ, ২৮ জানুৱাৰীঃ** চৰাইদেউ আৰু ডিব্ৰুগড় জিলা দুখনৰ সংগমস্থলী মৰাণ অঞ্চলত ২০০৬ ৰ ১৩ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠা হোৱা সাহিত্য চৰ্চাৰ অনুষ্ঠান জোনাকী মেলৰ ২২১ সংখ্যক বৈঠকখন কালি সন্ধিয়া মৰাণ নগৰৰ সমীপৰ দিবৈ ৰাঙলী অঞ্চলৰ ২নং নিৰ্মলীয়াস্থিত শ্ৰীশ্ৰীবিহিমপুৰ সত্ৰত অসম চৰকাৰৰ ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্ৰাপক, বিশিষ্ট সাহিত্যিক অনন্তকৃষ্ণ মহন্ত আৰু তেওঁৰ সহধৰ্মিনী মৃদুস্মিতা মহন্তৰ আতিথ্যত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ ডাঃ লোহিত কুমাৰ বৰাই বৰমেলুৰৈ কৰা বৈঠকখনৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে আঁত ধৰে জোনাকী মেলৰ মুখ্য উদ্যোক্তা তথা জ্যেষ্ঠ সাংবাদিক বাছা বৰাই। বৈঠকৰ আৰম্ভণিতে এগছি বন্তি প্ৰজ্বলন কৰে বিশিষ্ট কবি ডাঃ নিৰঞ্জন দাসে। বিজু কলিতাই পৰিৱেশন কৰা এটি বৰগীতেৰে শুভাৰম্ভ কৰা বৈঠকখনত আদৰণি ভাষণ আগবঢ়ায় অনন্তকৃষ্ণ মহন্তই। এইবাৰ জোনাকী মেলৰ আলোচ্য বিষয় আছিল "ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতত দেশ প্ৰেম"। মুখ্য আলোচক হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট লেখক নৰেন ভূঞাই। বক্তা গৰাকীয়ে বিষয়টোৰ ওপৰত আলোচনা আগবঢ়াই কয় যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত বিলাকক তিনিটা ভাগত ভগাব পাৰি। ভাগকেইটা হ'ল দেশপ্ৰেম, প্ৰকৃতি প্ৰেম আৰু মানৱ প্ৰেম। বক্তাগৰাকীয়ে জ্যোতি প্ৰসাদ আগৰৱালাই ৰচনা কৰা 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা', 'সাজু হ সাজু হ নৱ জোৱান', বনৰীয়া আমি বনৰ চৰাই', 'অ মোৰ ম'ৰা চৰাই', 'কোন কোন আহিছ আইক পূজিবলৈ' আদি বহুকেইটা গীতৰ উদাহৰণেৰে সাৰুৱা বক্তব্য প্ৰদান কৰাৰ উপৰি জ্যোতি প্ৰসাদৰ আদৰ্শৰে নৱপ্ৰজন্মক অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। শতাধিক লোকৰ সমাগম হোৱা বৈঠকখন কবিতা পাঠ, গীত, নৃত্য আদি পৰিৱেশনেৰে সজীৱ হৈ উঠে। গীত পৰিৱেশন কৰে বিশিষ্ট গায়ক ব্ৰজেন ফুকন, শুভজ্যোতি মহন, উত্তম দেউৰী, জ্যোতি দেউৰী, মালৱিকা মহন্ত, মৃদুস্মিতা মহন্ত, জুনু ভূঞা, কণমানি প্ৰযুক্তি শিখা বৰুৱা, প্ৰিয়াসী বৰা, পল্লৱী মহন্ত আৰু অনন্যা দত্তই। কবিতা পাঠ কৰে বিশিষ্ট কবি অঞ্জু দত্ত, বিজয়া লাহন শইকীয়া, ডাঃ নিৰঞ্জন দাস, আফ্ৰিদ শোভন আলী, কুকী মহন্ত, গাংগোত্ৰী গগৈ, তন্ময়ী মহন্ত, তপনিষ্ঠা মহন্ত, কণমানি ছাত্ৰী অন্তৰা মহন্ত, তৰালী মহন্ত, অনিছা মহন্ত, কুমকুম মহন্তকে ধৰি এজাক শিশুৰে কোমল কবিতা পাঠ কৰাৰ লগতে সাংবাদিক ফৰিদ আলী, সমাজকৰ্মী ৰাম দত্ত আদিয়ে অনুভৱ ব্যক্ত কৰাৰ উপৰি লেখক দুৰ্গাধৰ দিহিংগীয়া, জীনু প্ৰভা দত্ত, নিৰ্মল বৰুৱা, শান্তনু মহন্ত, ৰঞ্জুমণি দত্ত, প্ৰফুল্ল প্ৰাণ মহন্ত আদিৰ উপৰি অঞ্চলটোৰ বহুকেইজন গুণী- জ্ঞানী লোক উপস্থিত থাকে। অনুষ্ঠানটোৰ শেষত বাছা বৰাই শলাগৰ শৰাই আগবঢ়োৱা পাছতে জাতীয় সংগীত পৰিৱেশনেৰে কাৰ্যসূচী সামৰণি মৰা হয়।সকলক ফল-মূল, খাদ্যৰ টোপোলা প্ৰদানৰ লগতে ভালেকেইটা অনুষ্ঠানে প্ৰীতি খেল-ধেমালি অনুষ্ঠিত কৰে। কেন্দ্ৰীয়-ৰাজ্য চৰকাৰৰ কাৰ্যালয়ৰ লগতে অন্যান্য উদ্যোগ-প্ৰতিষ্ঠানসমূহতো ত্ৰিৰংগ পতাকা উন্মোচন কৰে।

# বৰমাত বাথৌ পূজা পালন

**ই-সংবাদ, বৰমা, ২৮ জানুৱাৰীঃ** মাঘ মাহৰ দ্বিতীয় মঙলবাৰে বড়োসকলে বাথৌ ধৰ্ম পালন কৰাৰ সমান্তৰালকৈ বৰমা ভোগপুৰ ১ নং কমল নগৰ বাথৌ মন্দিৰত দিনজোৰা কাৰ্যসূচীৰে বাথৌ পূজা পালন কৰে। কাৰ্যসূচী অনুসৰি পুৱা মুখ্যদ্বাৰ উন্মোচন কৰে কমল নগৰ বাথৌ আফাদ কমিটীৰ প্ৰাক্তন সভাপতি সমিন বসুমতাৰীয়ে। ইয়াৰ পিছতেই বাথৌ ধৰ্মীয় পতাকা উত্তোলন কৰে সভাপতি লম্বোধৰ বড়ো আৰু স্মৃতি চাৰণ কৰে হৰেন্দ্ৰ নাথ বড়োৱে। ইয়াৰ পাছত ভোগপুৰ ১ নং কমল নগৰ বাথৌ মন্দিৰৰ আধাৰশিলা স্থাপন কৰে বিটিচিৰ ই এম ৰাকেশ ব্ৰহ্মই। বাথৌ পূজাৰ লগত সংগতি ৰাখি এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত থাকে বৰমা মহাবিদ্যালয়ৰ অধ্যক্ষ নৰেশ্বৰ নাৰ্জাৰী, বিটিচিৰ প্ৰাক্তন এম চি এল এ বিজিৎ গৌৰা নাৰ্জাৰীৰ, হৰিমোহন স্বৰ্গীয়াৰী, দয়াৰাম স্বৰ্গীয়াৰীৰ লগতে বহু গণ্য মান্য ব্যক্তি। বৰমাৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত স্থাপন কৰা কমল নগৰ বাথৌ পূজাস্থলীত উখল-মাখল পৰিৱেশে বিৰাজ কৰে। পুৱাৰ পৰা বড়ো লোকসকলে পূজাৰ সামগ্ৰী লৈ বাথৌ পূজাত অংশ গ্ৰহণ কৰে। বাথৌ মানে পাঁচ তত্বৰ ওপৰত বড়ো জাতীয় জীৱনৰ লগত সম্পৰ্ক। মানুহৰ কাৰ্মক লৈ, জীৱনক লৈ, নীতি-নিয়মক লৈ এই তত্ব পালন কৰি আহিছে। বিশেষকৈ চিজৌ গছক লৈ পূজা-অৰ্চনা কৰা হয় বাথৌ পূজাত। ফুল দি মহাদেৱ শিৱক আৰাধনা কৰা হয়, ইয়াত মূৰ্তি পূজা নচলে।

# ধুবুৰী ইণ্ডিয়ান অইল পেট্ৰ'ল পাম্পৰ দায়িত্বহীন কাণ্ড

**ই-সংবাদ, গোলকগঞ্জ, ২৮ জানুৱাৰীঃ** ধুবুৰীৰ ঝগৰাৰপাৰ স্থিত ইণ্ডিয়ান পেট্ৰল পাম্পৰ কৰ্মচাৰীৰ দায়িত্বহীন কাৰ্যই সাধাৰণ গ্ৰাহকৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, যোৱা ২ জানুৱাৰীত শিক্ষক সহিদুৰ ৰহমানে নিজৰ AS-01 DZ-7361 নম্বৰৰ মাৰুতি ব্ৰীজা বাহনখনত তেল ভৰাবলৈ পাম্পটোত উপস্থিত হয়। কিন্তু দায়িত্বত থকা কৰ্মচাৰীয়ে ডিজেলৰ পৰিবৰ্তে বাহনখনত পেট্ৰ'ল ভৰাই দিয়ে। কিছু সময় পিছতে নিজৰ ভুল ধৰিব পাৰি পাম্পত থকা কৰ্মচাৰীয়ে বাহনখনৰ পৰা পৰা পেট্ৰ'লখিনি বাহিৰ কৰি পুনৰ ডিজেল ভৰায় যদিও বাহনখনৰ ইঞ্জিনৰ বিজুতি ঘটে। বাহনৰ মালিকক গুৰুত্ব নিদি পাম্প কৰ্তৃপক্ষই বাহনৰ চিলপেক্ ইঞ্জিন খুলি মেৰামতি নকৰি এনেই পেলাই ৰাখে। এই সন্দৰ্ভত বাহনৰ গৰাকীৰ ওজৰ-আপত্তিৰ ওপৰত কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপিত হৈছে। পাম্প কৰ্তৃপক্ষৰ এনে দায়িত্বহীন কাণ্ডৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে কমতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টিৰ ধুবুৰী জিলা সমিতিৰ সভাপতি নিখিল ৰায়ে ধুবুৰী মহকুমাধিপতিৰ ওচৰত লিখিত আবেদন জনাইছে।

# বালিকুৰিত বামুণটাৰী-জনতা বজাৰ সংযোগী পথ মেৰামতিৰ দাবীত পথ অৱৰোধ

**ই-সংবাদ, কলগাছিয়া, ২৮ জানুৱাৰীঃ** বিধায়কৰ প্ৰৱেশ নিষিদ্ধ কৰি বালিকুৰি এন চি গাঁৱত পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰিলে ক্ষুব্ধ ৰাইজে। আধাৰশিলা স্থাপন কৰাৰ পিছতো বিগত এবছৰে বামুণটাৰী-জনতা বজাৰ সংযোগী পথৰ কাম সম্পূৰ্ণ নকৰাৰ বাবেই বিধায়কৰ জনতা গাঁও পঞ্চায়তত প্ৰৱেশ নিষিদ্ধ কৰিলে ৰাইজে। বিধায়ক হাফিজ ৰফিকুল ইছলামে আধাৰশিলাৰ ৰাজনীতি কৰাৰ অভিযোগ উত্থাপন কৰে প্ৰতিবাদকাৰীয়ে। উল্লেখ্য যে, যোৱা ০৭/০৩/২০২৪ ইং তাৰিখে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণ আঁচনিৰ ২০২৩-২৪ বিত্তীয় বৰ্ষৰ অধীনত বামুণটাৰী-জনতা বজাৰ সংযোগী পথ বহলকৰণৰ কামৰ জনীয়াৰ বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামে আধাৰশিলা স্থাপন কৰিছিল। কিন্তু, প্ৰায় এবছৰ উকলি যোৱাৰ পিছতো আজিলৈ আৰম্ভ নহ'ল এই কাম। বামুণটাৰী, বালিকুৰি, জনতা গাঁৱৰ পথত বিধায়কগৰাকীয়ে আধাৰশিলা স্থাপন কৰি ৰাইজক প্ৰবঞ্চনা কৰাৰ অভিযোগত বিধায়ক ৰফিকুল ইছলামে পদত্যাগ কৰক, ৰফিকুল ইছলাম হায় হায়, জিলা প্ৰশাসন হায় হায়, আমাৰ দাবী মানিবই লাগিব আদি শ্ল'গান দি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে সোমবাৰে বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামৰ জনতা পঞ্চায়তত প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰে। যদি এটা সপ্তাহৰ ভিতৰত কাম আৰম্ভ নকৰে তেন্তে ভয়াৱহ আন্দোলনৰ হুংকাৰ দিয়ে আন্দোলনকাৰীসকলে।

# কলগাছিয়াৰ বৰভিটাত ১০মহীয়া সন্তানসহ মাতৃ নিৰুদ্দেশ

**ই-সংবাদ, কলগাছিয়া, ২৮ জানুৱাৰীঃ** বৰপেটা জিলাৰ কলগাছিয়া থানাৰ অন্তৰ্গত বৰভিটা গাঁৱৰ আব্দুল মালেকৰ পত্নী শাহানাৰা খাতুনে যোৱা ২৭ জানুৱাৰীত ১০ মহীয়া পুত্ৰ সন্তানসহ স্বামীৰ ঘৰৰ পৰা নিৰুদ্দেশ হোৱাত পৰিয়ালৰ মাজত এক হাহাকাৰ পৰিৱেশৰ সৃষ্টি হৈছে। জানিব পৰা মতে, যোৱা প্ৰায় দুই বছৰ মান আগতে পশ্চিম দিঘলদী গাঁৱৰ বাদশা মিয়াৰ কন্যা শাহানাৰা খাতুনৰ বৰভিটা গাঁৱৰ আব্দুল মালেকৰ লগত সামাজিক ৰীতি-নীতিৰ অনুসৰি বিবাহ হৈছিল। মহিলাগৰাকী দহ মহীয়া সন্তানৰ মাতৃ হোৱাৰ পিছত ঘৰৰ আৰ্থিক অৱস্থা খুব বেয়া হোৱাত স্বামী আব্দুল মালেকে গুৱাহাটীত হাজিৰা কৰিবলৈ যায়। কিন্তু ঘৰৰ পৰা হঠাৎ ফোন যোগে জানিব পাৰে যে তেওঁৰ পত্নী দহ মহীয়া পুত্ৰ সন্তানসহ সোমবাৰে পুৱাৰে পৰা নিৰুদ্দেশ হৈ আছে। এই খবৰ শুনা মাত্ৰেকে স্বামী আব্দুল মালেক গুৱাহাটীৰ পৰা ঘৰত উপস্থিত হৈ ওচৰ চুবুৰীয়া তথা আত্মীয়ৰ ঘৰত বিচাৰ-খোচাৰ কৰে যদিও মহিলাগৰাকীৰ কোনো সন্ধান নাপাই সাংবাদিকৰ কাষ চাপে। ইফালে, স্বামীৰ পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে, বোৱাৰীগৰাকীয়ে ফোনযোগে সদায় কাৰোবাৰ লগত কথা পতি থাকে। কোনো সদাশয় লোকে মহিলাগৰাকীৰ সন্ধান পালে ওচৰৰ আৰক্ষী থানা নাইবা ৮৮২২৪৮২২৩৩ অথবা ৭৬৬৮৭২৯৩৯৯ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালে সংবাদ মাধ্যমৰ জৰিয়তে ৰাইজক আহ্বান জনাইছে।

# আগমনিত যান-বাহন আৰক্ষীৰ মইমতালি

**ই-সংবাদ, গোলকগঞ্জ, ২৮ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ যান-বাহন নিয়ন্ত্ৰণ শাখাৰ আৰক্ষীৰ মইমতালিত ৰাইজ অতিষ্ঠ হৈ পৰিছে। যান-বাহন নিয়ন্ত্ৰণ শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া অশোক সিং আৰু কনিষ্টবল পবিত্ৰ ব্ৰহ্মই অঞ্চলটোত ব্যাপক দুৰ্নীতি-অনিয়ম চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। বিষয়াজনৰে গোপন বুজাবুজিত বৃদ্ধি পাইছে নথি-পত্ৰ বিহীন ট্ৰেক্টৰৰ দৌৰাত্ম্য। নথি-পত্ৰ বিহীনভাৱে ট্ৰেক্টৰবোৰ চলি থকাৰ লগতে লাইচেঞ্চ নথকা একাংশ কম বয়সীয়া চালকে বিপজ্জনকভাৱে চলাই আছে ট্ৰেক্টৰসমূহ। এনে দুৰ্নীতি-অনিয়ম চলি থকাৰ বিপৰীতে উপযুক্ত নথি-পত্ৰ থকা যান-বাহনৰ মালিকো হৈ পৰিছে আৰক্ষী বিষয়া অশোক সিং আৰু কনিষ্টবল পবিত্ৰ ব্ৰহ্মৰ আতিশৰ্যৰ বলি। এনে এক ঘটনা আজি দুপৰীয়া আগমনিৰ গড়েহাটৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয়। জানিব পৰা মতে, চাপৰৰ পৰা পশ্চিমবংগ অভিমুখী AS-19 AC-5737 নম্বৰৰ মালবাহী ট্ৰাক এখন হঠাৎ যান্ত্ৰিক বিজুতিৰ বাবে গড়েহাটৰ পথৰ কাষত ৰখাই থয়। তৎক্ষণাত যান-বাহন নিয়ন্ত্ৰণ শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া অশোক সিং আৰু কনিষ্টবল পবিত্ৰ ব্ৰহ্ম উক্ত স্থানত উপস্থিত হৈ বাহন ৰখাৰ বাবে পাঁচ হাজাৰ টকা দাবী কৰে। অন্যথা পয়চল্লিশ হাজাৰ টকাৰ জৰিমনা বিহাৰ ভাবুকি দিয়ে। উক্ত স্থানত যিহেতু ন পাৰ্কিঙৰ কোনো ফলক নাই। ট্ৰাকখন ৰখাই থোৱা হৈছিল একেবাৰে পথৰ কাষত। আনহাতে, ট্ৰাকখনৰ সকলো ধৰণৰ নথি-পত্ৰও মজুত আছিল। সেয়ে ভাবুকি দিয়া সত্ত্বেও দাবী কৰা পাঁচ হাজাৰ টকা দিবলৈ অস্বীকাৰ কৰে চালক তথা মালিকে। পিছত দাবী কৰা ধন নাপাই যান-বাহন আৰক্ষীয়ে ট্ৰাকখনক পয়চল্লিশ হাজাৰ টকাৰ অন লাইন জৰিমনা বিহাৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত বাহনৰ মালিকে আদালতৰ দাৰস্থ হ'ব বুলি জানিবলৈ দিছে।

# শিমলীতোলাত আটক নগদ ধনসহ ম'বাইল চোৰ

**ই-সংবাদ, শিমলীতোলা, ২৮ জানুৱাৰীঃ** গোৱালপাৰা জিলাৰ পুব গোৱালপাৰা সমষ্টিৰ শিমোলীতোলা আৰক্ষী চকীৰ অন্তৰ্গত শিমোলীতোলা বজাৰত সোমবাৰে নিশা প্ৰায় ১০ বজাত দুখনকৈ দোকানত চোৰে চলালে চাফাই অভিযান। চুৰি কাৰ্য সংঘটিত কৰাৰ সময়তে চোৰটোক ৰাইজে ধৰি স্থানীয় শিমলীতোলা বজাৰ কমিটীক খবৰ দিয়ে। শিমোলীতোলা বজাৰ কমিটীৰ নেতৃত্বত তথা ৰাইজৰ সহযোগত চোৰটোক হাতে-লোটে ধৰি আৰক্ষীক গোটাই দিয়ে। ধৃত চোৰটো বৰপাথাৰ সালপাৰাৰ সমিজ উদ্দিনৰ পুত্ৰ মনিৰুল আলী। দীৰ্ঘদিন ধৰি চুৰি কাণ্ড সংঘটিত কৰি অহা ধৃত চোৰটোৰ ঘৰত আৰক্ষীয়ে তালাচী চলাই পূৰ্বে চুৰি কৰা সামগ্ৰী উদ্ধাৰ কৰে। বহু চুৰি কাৰ্যত জড়িত ধৃত চোৰটোক উচিত শাস্তি দিয়াৰ দাবী জনাইছে শিমলীতোলা বজাৰ কমিটীৰ সভাপতিৰ লগতে স্থানীয় ৰাইজে।

# নগাঁৱৰ গোমোঠা গাঁৱৰ কালী মন্দিৰত চোৰৰ লুট-পাত

**ই-সংবাদ, পুৰণিগুদাম, ২৮ জানুৱাৰীঃ** নগাঁও জিলাৰ ইটাচালী টাউন আৰক্ষী চকীৰ অন্তৰ্গত গোমোঠা গাঁৱৰ এক ধৰ্মীয় অনুষ্ঠানত যোৱা নিশা এক চুৰিকাণ্ডৰ ঘটনা সংঘটিত হয় জানিব পৰা মতে গোমোঠা গাঁৱৰ কালী মন্দিৰত চোৰে প্ৰৱেশ কৰি দান পাত্ৰৰ তলা ভাঙি নগদ ধন চুৰ কৰি লৈ যায়। ঘটনা সন্দৰ্ভত মন্দিৰ সমিতিয়ে স্থানীয় আৰক্ষী থানাত অৱগত কৰাৰ পিছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় আৰু তদন্ত আৰম্ভ কৰে। বাতৰি লিখা পৰ্যন্ত স্থানীয় আৰক্ষীয়ে কোনো চোৰৰ শুংসূত্ৰ উলিয়াবলৈ সমৰ্থ হোৱা নাই। উল্লেখযোগ্য যে, দীৰ্ঘদিন ধৰি উক্ত থানাৰ অন্তৰ্গত বহু গাঁৱত সঘনাই গৰু চুৰি, শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰি কাৰ্যকে ধৰি বিভিন্ন অপৰাধ জনিত ঘটনা সংঘটিত হৈ আহিছে যদিও ইয়াক ৰোধ কৰাৰ ক্ষেত্ৰত স্থানীয় আৰক্ষী সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰ অভিযোগ উঠিছে। তদুপৰি স্থানীয় আৰক্ষী চকীৰ এলেকাৰ দুই-এখনৰ বাহিৰে অধিকাংশ গাঁওৰক্ষী বাহিনীৰ ভূমিকা নিষ্ক্ৰিয়। ফলত উক্ত অঞ্চলটোৰ গাঁওসমূহত চোৰৰ দপদপনি দিনক দিনে বৃদ্ধি পাব ধৰিছে। অপৰাধজনিত কাৰ্যকলাপ ৰোধ কৰাৰ ক্ষেত্ৰত স্থানীয় ৰাইজে নগাঁও আৰক্ষী অধীক্ষক গৰাকীৰ দৃঢ় পদক্ষেপ কামনা কৰিছে।

# আগমনিত ডেৰ মাহে সন্ধানহীন নাবালিকা ছাত্ৰী

**ই-সংবাদ, গোলকগঞ্জ, ২৮ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত ঝসকাল তৃতীয় খণ্ড গাঁৱত ডেৰ মাহে নিৰুদ্দিষ্ট ছাত্ৰীৰ সন্ধান উলিওৱাত ব্যৰ্থ আৰক্ষী বিষয়াই অভিভাৱককে অপহৰণকাৰীক বিচাৰি উলিওৱাৰ নিৰ্দেশ দিয়া ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, যোৱা ১২ ডিচেম্বৰৰ পুৱা একাদশ শ্ৰেণীৰ নাবালিকা ছাত্ৰীগৰাকী সত্ৰশাল উচ্চতৰ মাধ্যমিক বিদ্যাপীঠলৈ গৈ নিৰুদ্দেশ হয়। বিচাৰ-খোচাৰ কৰি নিশ্চিত হয় একে গাঁৱৰে আজিৰুল হকৰ পুত্ৰ মাইনুল হকে অপহৰণ কৰা বুলি। পিছদিনা নাবালিকাগৰাকীৰ পিতৃয়ে মাইনুল হক আৰু পিতৃ আজিৰুলৰ বিৰুদ্ধে আগমনি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। নাবালিকা ছাত্ৰীগৰাকী অপহৰণ হোৱাৰ ডেৰ মাহ উকলি যোৱাৰ পিছতো নীৰৱ হৈ বহি আছে আগমনি আৰক্ষী। মূল অভিযুক্ত মাইনুল পলাতক হৈ থকাৰ বিপৰীতে আন অভিযুক্ত পিতৃ ঘৰত মুকলিভাৱে ঘূৰি ফুৰিছে। এই সন্দৰ্ভত আৰক্ষীক যোগাযোগ কৰাতো দুৰ্ভগীয়া পিতৃ-মাতৃয়ে কোনো সুফল লাভ কৰা নাই। কেতিয়াবা মাইনুল বা কিশোৰীগৰাকী ঘৰত ফোন কৰিলে ফোন নম্বৰ থানাত দিয়াৰ বাবে কৈ পিতৃ-মাতৃক ঘূৰাই পঠিয়ায় ভাৰপ্ৰাপ্ত বিষয়াই।

# বাক্সাৰ বাথৌপুৰীত ৫১ সংখ্যক কেন্দ্ৰীয় বাথৌ পূজা মহোৎসৱ আৰম্ভ

**ই-সংবাদ, মুছলপুৰ, ২৮ জানুৱাৰীঃ** বাক্সা জিলাৰ সদৰ মুছলপুৰৰ সমীপৱৰ্তী বাথৌপুৰীত আজিৰে পৰা অহা ৫ ফেব্ৰুৱাৰীলৈ নদিনীয়াকৈ ৫১ সংখ্যক কেন্দ্ৰীয় বাথৌ পূজা মহোৎসৱ আৰম্ভ হৈছে। আজি পুৱা ন বজাত বাথৌ পূজা মহোৎসৱৰ মুখ্যদ্বাৰ উদঘাটন কৰে বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক দানেশ্বৰ গয়াৰীয়ে। বাথৌ মন্দিৰৰ দ্বাৰ মুকলি কৰে বাক্সা জিলাৰ জিলা আয়ুক্ত গৌতম দাসে। অতিথিশালা উদ্বোধন কৰে বিটিচিৰ দিহিৰা পৰিষদীয় সমষ্টিৰ পাৰিষদ ঘনশ্যাম দাসে। ইয়াৰ পাছত পূজা মহোৎসৱৰ পতাকা উত্তোলন কৰে বাথৌপুৰী অঞ্চলৰ ১২ খনকৈ গাঁৱৰ সমাজকৰ্মীসকলে। ইয়াৰ পাছত শ্বহীদ তৰ্পণ কাৰ্যসূচী ৰূপায়ণ হয়। পৰৱৰ্তী কাৰ্যসূচী হিচাপে ৰভা মঞ্চ উদ্বোধন কৰে বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য অংশুমৈ খুংগুৰ বড়োৱে। ইয়াৰ পাছত প্ৰদৰ্শনী, বাণিজ্য মেলা, শিশু উদ্যান মুকলি কৰা হয়। পুৱাৰে পৰা বিয়লিলৈ মেলাথলীত বিভিন্ন গাঁৱৰ গাভৰুৰ দ্বাৰা খেৰাই নৃত্য প্ৰদৰ্শন কৰা হয়। সন্ধিয়া বাগৰুম্বা নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। বাথৌ পূজা সন্দৰ্ভত কেন্দ্ৰীয় বাথৌ পূজা মহোৎসৱৰ সভাপতি বিনন বড়োৱে কয় মাঘ মাহৰ দ্বিতীয় মঙলবাৰে প্ৰতি বছৰে এই বাথৌ পূজা আৰম্ভ হয়। বিগত বৰ্ষত বৃহত্তৰ মুছলপুৰ অঞ্চলৰ এই বাথৌ পূজা মহোৎসৱে সোণালী জয়ন্তী বৰ্ষ সফলতাৰে অতিক্ৰম কৰিলে। সৰ্বস্তৰৰ লোক আজিৰে পৰা বাথৌ পূজাথলীত উপস্থিত হৈছে। মেলা উদযাপন সমিতিৰ সম্পাদক ৰিচন বড়োৱে কয় যে বাথৌৰ জৰিয়তে সমগ্ৰ অঞ্চলটোত এটা ধৰ্মীয় বাতাবৰণ আৰম্ভ হৈছে। আমাৰ আশা, বাথৌ বৰাইয়ে সমগ্ৰ লোকৰ সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনিব। বাথৌ বৰাই বড়োসকলৰ উপাস্য দেৱতা বুলি কৈ এই বাথৌ মেলাত সকলো শ্ৰেণীৰ লোকে অংশগ্ৰহণ কৰি একতাৰ এনাজৰীডাল অধিক কটকটীয়া কৰিব বুলি প্ৰকাশ কৰে। উল্লেখ্য যে, বড়ো-কছাৰীসকলৰ বিশ্বাস মতে আদি দেৱতা শিৱই তেওঁলোকৰ পিতৃদেৱতা। বাথৌ পূজাত সিজু আৰু তুলসী গছৰ দুটা ডাল একেলগ কৰি তাৰে বাথৌ বেদীত শান্তিয়নী পানী ছটিওৱাৰ পাছত সেই ডাল দুটা বেদীৰ সোঁমাজতে ৰোপণ কৰা হয়। বেদীত সিজুডালৰ তলতে এটা ঘূৰণীয়া শিল আৰু কুকুৰা কণী দি বাথৌ দেৱতাক পূজা কৰা হয়। পূজাত মদ-মাংস আদিৰে নৈবেদ্য আগবঢ়োৱা হয়। পূজাত দেওধনিয়ে নৃত্য কৰাৰ লগতে ভৱিষ্যত বাণীও কৰে। আনহাতে, বাথৌক সন্তুষ্ট কৰিবলৈ খেৰাই নৃত্যও কৰা হয়।

# আগডলা চাৰিআলি উঃমাঃ বিদ্যালয়ত শিশু বিজ্ঞান সমাৰোহৰ প্ৰতিযোগিতা সম্পন্ন




**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৮ জানুৱাৰীঃ** ৰাষ্ট্ৰীয় আৱিষ্কাৰ অভিযানৰ অন্তৰ্গত বিজ্ঞান অনুসন্ধান, শিশু বিজ্ঞান সমাৰোহৰ জিলা ভিত্তিক প্ৰতিযোগিতাখনি আজি আগডলা চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। 'পৰম্পৰাগত জ্ঞান পদ্ধতিৰে বহনক্ষম উন্নয়ন' বিষয়ত অনুষ্ঠিত এই প্ৰতিযোগিতাত প্ৰায় ২২ টাকৈ প্ৰকল্প উপস্থাপন কৰা হয়। আৱিমত্ত বিদ্যাপীঠৰ অধ্যক্ষ নয়নজ্যোতি দাসে আঁত ধৰা আজিৰ অনুষ্ঠানত বিচাৰক হিচাপে উপস্থিত থাকে বিশিষ্ট কবি-নিবন্ধকাৰ মোস্তাফা কামাল আহমেদ আৰু ৰেখাৰাণী শৰ্মা। আজি উপস্থাপন কৰা এই প্ৰকল্পসমূহৰপৰা নিৰ্বাচিত প্ৰকল্প ৰাজ্যিক পৰ্যায়লৈ প্ৰেৰণ কৰা হ'ব বুলি অৱগত কৰে বিজ্ঞান অনুসন্ধান শিশু বিজ্ঞান সমাৰোহৰ কামৰূপ জিলা সমন্বয়ক আলটাফ হুছেইন খণ্ডকাৰ আৰু শৈক্ষিক সমন্বয়ক তীৰ্থমণি ডেকাই। বকো জৱাহৰলাল মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা ড০ বিজয়া ডেকাই পৰিৱেশ সুৰক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কাপোৰৰ মোনা ব্যৱহাৰ কৰিবলৈ সকলোকে আহ্বান জনায় আৰু নিজে তৈয়াৰ কৰা কাপোৰৰ মোনা অনুষ্ঠানত বিতৰণ কৰে। আজিৰ অনুষ্ঠানত উপস্থিত থাকে বাইহাটা চাৰিআলি সাহিত্য সভাৰ নৱ নিৰ্বাচিত সভাপতি তথা এমিতি একাডেমীৰ অধ্যক্ষ কৃষ্ণকান্ত কলিতা, আগডলা চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা বীণাপানি বৰ্মন, কামৰূপ জিলা সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড০ গণেশ্বৰ চহৰীয়া প্ৰমুখ্যে কেইবাগৰাকীও গণ্য মান্য ব্যক্তি।

# ধৰ্মপ্ৰাণা সৰবৰহী মহিলা অৰুণা গগৈ বৰগোহাঁইৰ মৃত্যু

**ই-সংবাদ, ডুমডুমা, ২৮ জানুৱাৰীঃ** ডুমডুমাৰ ৰূপবন নিবাসী তথা দিয়ামুলি চাহ বাগিচাৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী আনন্দ বৰগোহাঁইৰ সহধৰ্মিনী সৰবৰহী তথা ধৰ্মপ্ৰাণা মহিলা অৰুণা গগৈ বৰগোঁহাই(৬৯)ৰ আজি পুৱা ৬ বজাত ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত পৰলোকপ্ৰাপ্তি ঘটে। দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা অৰুণা গগৈ বৰগোহাঁই ডুমডুমা মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ প্ৰথমগৰাকী মহিলা স্নাতক আছিল। মৃত্যুৰ সময়ত তেওঁ স্বামীৰ লগতে এজন পুত্ৰ, এগৰাকী কন্যা, বোৱাৰী, জোঁৱাই, নাতি-নাতিনীসহ বহুকেইগৰাকী ভাতৃ-ভগ্নীক ইহসংসাৰত এৰি থৈ যায়।

# ৰঙিয়াত ড্ৰাগছ সৰবৰাহকাৰী জালত

**ই-সংবাদ, ৰঙিয়া, ২৮ জানুৱাৰীঃ** ৰঙিয়াত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ দুই সৰবৰাহকাৰীক আটক কৰে। ধৃত সৰবৰাহকাৰী দ্বয়ৰ পৰা ১৩ গ্ৰাম ড্ৰাগছসহ ৯ টাকৈ কণ্টেইনাৰ আৰু দুটা ম'বাইল ফোন জব্দ কৰে আৰক্ষীয়ে। ধৃত দুই সৰবৰাহকাৰী ক্ৰমে ৰঙিয়া ৰে'লৱে জংচনৰ সমীপৰ আব্দুল কাদিৰ আৰু আকাশ মিশ্ৰ। ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৱজিৎ নাথৰ নেতৃত্বত চলা অভিযান কালত আটক হয় সৰবৰাহকাৰী দুজন। উল্লেখ্য যে, বৃহত্তৰ ৰঙিয়া অঞ্চলৰ ভিন্ন প্ৰান্তত বিগত কিছুদিন ধৰি এক দুষ্টচক্ৰই এনেদৰে অবৈধ ড্ৰাগছৰ সৰবৰাহ কৰি আহিছে। ইয়াৰ মাজতে আৰক্ষীয়ে এই সফলতা লাভ কৰে।

# চতিয়াত বাঘৰ সন্ত্ৰাস, পশুধনৰ মৃত্যু

**ই-সংবাদ, চতিয়া, ২৮ জানুৱাৰীঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ দক্ষিণাঞ্চলত বাঘে চলাইছে সন্ত্ৰাস। কাছমাৰীৰ পাছত এইবাৰ চন্দ্ৰআতিৰ চুবৰা বস্তীত বাঘে চলাইছে সন্ত্ৰাস। গাঁওখনৰ বিগ বাহাদুৰ কাটুৱাৰ নামৰ ব্যক্তিজনৰ ঘৰৰ গোহালিত বাঘে নিধন কৰে এটা দমৰা গৰু। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ পৰা ওলাই অহা প্ৰকাণ্ড বাঘটোৱে নিশা ১ মান বজাত ব্যক্তিজনৰ গোহালিৰ দমৰা গৰুটোক আক্ৰমণ কৰি নিধন কৰি গোহালিৰ পৰা গৰুটো উলিয়াই নিবলৈ চেষ্টা কৰে। কিন্তু গাঁওবাসীয়ে হুলস্থুলৰ সৃষ্টি কৰাত বাঘটো সেই স্থানৰ পৰা আঁতৰি যায়।বাঘটো আঁতৰি গ'লেও নিশা আতংকৰ মাজত সময় পাৰ কৰে গাঁওবাসীয়ে। স্থানীয় ৰাইজে গাঁওখনত বাঘৰ আক্ৰমণত যাতে কাৰো প্ৰাণহানি নহয় তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বন বিভাগক দাবী জনাইছে। উল্লেখ্য যে কেইদিনমান পূৰ্বে চতিয়াৰ কাছমাৰীত বাঘৰ আক্ৰমণত আন এটা গৰুৰ মৃত্যু হৈছিল।

# বাইহাটাৰ গোগত দিবা-নৈশ ক্ৰিকেট

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৮ জানুৱাৰীঃ** কামৰূপ জিলাৰ গোগ-ক্ষুদ্ৰপলহা আৰু বৰপলহাৰ উমৈহতীয়া সামাজিক অনুষ্ঠান ৰুৰেল ইয়ুথ ক্লাব এণ্ড চাহিদুৰ ৰহমান লাইব্ৰেৰীৰ উদ্যোগত অহা ৩১ জানুৱাৰী আৰু ২,৩ ফেব্ৰুৱাৰীত এখনি দিবা-নৈশ প্ৰাইজমানী টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। গোগ গাঁৱৰ আমৰতল চুবুৰীত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি প্ৰথম দিনাৰ কাৰ্যসূচীত সন্ধিয়া এইবেলি পিএইছডি ডিগ্ৰী লাভ কৰা ডঃ প্ৰাণজিৎ পাটোৱাৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। সম্বৰ্ধনা অনুষ্ঠানৰ পিছতে আৰম্ভ হ'বলগীয়া দিবা-নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতাত বিজয়ী দলক নগদ ৬১,০০১ টকা আৰু বিজিত দলক নগদ ৪১,০০১ টকা প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা নগদ ৫০০১ টকা। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল ১৬০১ টকা। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ইচ্ছুক দল সমূহক ৯৩৬৫৬৫৭৪৯২ আৰু ৮৬৩৮৬৫০৮৪৪ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

# ডিৰাকত ফুটবল প্ৰশিক্ষণৰ আয়োজন

**ই-সংবাদ, কাকপথাৰ, ২৮ জানুৱাৰীঃ** ভাৰতীয় জনতা যুৱ মৰ্চা তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত, কাকপথাৰ মণ্ডল সমিতি আৰু ডিৰাক ফুটবল ক'চিং চেন্টাৰৰ তত্বাৱধানত ডিৰাক চাৰিআলি ৰাজহুৱা খেলপথাৰত আজিৰে পৰা ৪৫ দিনীয়া এক ফুটবল প্ৰশিক্ষণ আৰম্ভ হয়। প্ৰশিক্ষণৰ আৰম্ভণি অনুষ্ঠানত উপস্থিত থাকে আৰএছএছৰ তিনিচুকীয়া সহ কাৰ্যবাহক হৰিশ শইকীয়া, মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ সদস্যা দীপাঞ্জলি কাকতি, আৰএছএছৰ নেতা অভিলাস পাল আদি বিশিষ্ট ব্যক্তিসকল। উক্ত প্ৰশিক্ষণত প্ৰশিক্ষক হিচাপে থাকিব ৰন্ত ফুকন, অনুপম বুঢ়াগোহাঁই, হীৰকজ্যোতি কাকতি, অৰুণ দহোতীয়া আৰু ঋদীপ চাওৰক।



১৯ অনুৰ্ধ্ব মহিলা বিশ্বকাপত শতক অৰ্জনেৰে ইতিহাস ৰচিলে ভাৰতৰ গংগাড়ী তৃষাই



ৰাজকোটত অনুষ্ঠিত ভাৰত-ইলেণ্ডৰ তৃতীয়খন টি-২০ৰ জৰিয়তে ভাৰতীয় দললৈ প্ৰত্যাৱৰ্তন মহম্মদ ছামীৰ

## শ্ৰেষ্ঠ টেষ্ট ক্ৰিকেটাৰৰ পিছত আন এক কৃতিত্ব বুম বুম বুমৰাহৰ

# পেচাৰ যশপ্ৰীত বুমৰাহক আইচিচিৰ প্লেয়াৰ অৱ দ্য ইয়েৰ সন্মান

**নতুন দিল্লী, ২৮ জানুৱাৰীঃ** বেষ্ট টেষ্ট ক্ৰিকেটাৰ হিচাপে ঘোষণা হোৱাৰ পিছত এইবাৰ অন্য এক কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হ'ল ভাৰতীয় পেচ বলাৰ যশপ্ৰীত বুমৰাহ। মঙলবাৰে বুমৰাহক বৰ্ষটোৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ হিচাপে ঘোষণা কৰিছে আইচিচিয়ে। ৩১ বছৰীয়া ভাৰতীয় পেচ বোলাৰ গৰাকীয়ে ইংলেণ্ড আৰু বাংলাদেশৰ বিৰুদ্ধে ঘৰুৱা টেষ্ট শৃংখলাত ভাৰতৰ জয়লাভৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰিছিল। লগতে, টি২০ বিশ্বকাপত ভাৰতক দ্বিতীয়বাৰৰ বাবে চেম্পিয়ন কৰাৰ ক্ষেত্ৰত তেওঁৰ অৱদান আছিল যথেষ্ট। যাৰ বাবে তেওঁৰ আইচিচি পুৰুষৰ ক্ৰিকেটাৰ অৱ দ্য ইয়াৰ সন্মানেৰে সন্মানিত কৰা হৈছে। উল্লেখ্য যে, এই প্ৰতিষ্ঠিত সন্মানৰ বাবে বুমৰাহৰ সৈতে কঠিন প্ৰতিদ্বন্দ্বিতাত আছিল অষ্ট্ৰেলিয়াৰ ট্ৰেভিছ হেড, ইংলেণ্ডৰ জ' ৰুট আৰু হেৰী ব্ৰুক। তথাপি, তেওঁ প্ৰতিপক্ষ সকলো খেলুৱৈক চেৰ পেলাই এই সন্মান লাভ কৰিবলৈ সক্ষম হয়। এই সন্মান লাভ কৰি বুমৰাহে ভাৰতীয় ক্ৰিকেটত তেওঁৰ স্থান অধিক সুদৃঢ় কৰিছে। ইফালে, ভাৰতৰ হৈ এই সন্মান লাভ কৰা খেলুৱৈৰ তালিকাত এতিয়া মুঠ পাঁচজন খেলুৱৈৰ নাম অন্তৰ্ভুক্ত হৈছে। ৰাহুল দ্ৰাবিড়, শচীন তেণ্ডুলকাৰ, ৰৱিচন্দ্ৰন অশ্বিন, বিৰাট কোহলীৰ পিছত এতিয়া এই তালিকাত যোগ হৈছে যশপ্ৰীত বুমৰাহৰ নাম। ৰাহুল দ্ৰাবিড়ে ২০০৪ চনত প্ৰথমবাৰৰ বাবে এই সন্মান লাভ কৰিছিল। তাৰ পিছত ২০১০ চনত শচীন তেণ্ডুলকাৰ, ২০১৬ চনত ৰৱিচন্দ্ৰন অশ্বিনে এই সন্মান লাভ কৰিছিল। তাৰ পিছতে ২০১৭ আৰু ২০১৮ চনত একেৰাহে দুবাৰকৈ এই সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল বিৰাট কোহলীয়ে।

# দুমুনিচকীত প্ৰাইজমানি কেৰম প্ৰতিযোগিতাৰ সামৰণি, চেম্পিয়ন ৰাশেৰ

**ই-সংবাদ, দুমুনিচকী, ২৮ জানুৱাৰীঃ** দৰং জিলাৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান দুমুনিচকীস্থিত 'পোহৰ' এন জি অ'ৰ উদ্যোগত দিবা-নৈশ প্ৰাইজমানি একক কেৰম খেল প্ৰতিযোগিতাখনি দেওবাৰে নিশা সামৰণি পৰে। তিনিদিনীয়া কাৰ্যসূচীৰে ২৬ জানুৱাৰীলৈ দুমুনিচকী চ'কতে অনুষ্ঠিত হোৱা একক কেৰম খেল প্ৰতিযোগিতাখনিত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগিয়ে অংশগ্ৰহণ কৰে। একেদৰে সামৰণি অনুষ্ঠানত প্ৰতিযোগিতাখনিৰ প্ৰথম পুৰস্কাৰ দাতা বাঁহগড়াৰ যুৱ ব্যৱসায়ী মইদুল ইছলাম, দ্বিতীয় পুৰস্কাৰ দাতা মাৰুৱাচকীৰ সমাজকৰ্মী হাচমত আলী প্ৰমুখ্যে কেইবাগৰাকী স্থানীয় ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে, খেল প্ৰতিযোগিতখনিৰ প্ৰথম পুৰস্কাৰ ১৫০০১ টকাৰ লগতে ট্ৰফী লাভ কৰে ৰঙিয়াৰ ৰাশেৰ বড়োয়ে। দ্বিতীয় পুৰস্কাৰ ৮০০১ টকাৰ লগতে ট্ৰফী লাভ কৰে শুৱালকুছিৰ প্ৰাঞ্জল দাসে। আনহাতে, প্ৰতিযোগিতখনিৰ বেষ্ট প্লেয়াৰ খিতাপ দখল কৰে নলবাৰীৰ দীপু আহমেদে। ইফালে ২৪ জানুৱাৰীৰ পৰা অনুষ্ঠিত দিবা-নৈশ একক কেৰম খেল প্ৰতিযোগিতাখনিত বৃহত্তৰ দুমুনিচকীবাসী ৰাইজৰ সহায়-সহযোগৰ বাবে ধন্যবাদ জ্ঞাপন কৰে খেল পৰিচালনা সমিতিৰ সভাপতি হাফিজুৰ ৰহমান আৰু সম্পাদক ইনতাজ আলীয়ে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি